# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

**NO. 14**

**THE 29th MARCH, 1997**

**Price Rs. 21.00**

# CONTENTS

## (BUDGET SESSION)
## No.14
**Dated, the 29th March, 1997**


| | | Page |
|---|---|---|
| 1. | Voting on Demands for Grants | 1—55 |
| 2. | Introduction, consideration and Passing of the Assam Appropriation (No. II) Bill, 1997 | 55—61 |
| 3. | Laying of Industrial Policy | 61 |
| 4. | Adjournment | 62 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

**Saturday, the 29th March, 1997.**

**The House met at 9 A.M. of the Clock in the Assembly Chamber, at Dispur with Shri Ganesh Kutum, Speaker in the Chair.**

**Mr. Speaker :** Good Morning. Now Grant NO. 64, Hon'ble Minister, P.W.D. to move.

* শ্ৰীঅতুল বৰা (মন্ত্ৰী, গড়কাপ্তানী) ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন সাপেক্ষে মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৯৮ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোত প্ৰশাসনৰ বাবে ব্যয় বহন কৰিবলৈ 'পথ আৰু দলং' প্ৰশাসনৰ ক্ষেত্ৰত ভাৰপ্ৰাপ্ত মন্ত্ৰীক ৩০৬,৮৩,২০,০০০ টকা মঞ্জুৰ কৰিব লাগে।

**Mr. Speaker :** There are as many as five Cut Motions which stand in the name of Hon'ble Member,

1. Shri Hemendra Nath Brahma,
2. Shri Pramila Rani Brahma
3. Shri Kali Ranjan Deb
4. Shri Sambhusing Mallah
5. Shri Sukhendu Shekhar Dutta
6. Shri Rashidul Hoque
7. Shri Mustafa Shahidul Islam
8. Shri Sudhangshu Coomer De Sirkar
9. Shri Abu Bakkar Siddique Jotder
10. Shri Misbahul Islam Laskar
11. Shri Prithivi Majhi
12. Shri Abdul Muqtadir Choudhury
13. Shri Rameswar Dhanowar.

---

* Speech not corrected

I now request the Movers to move their Cut Motions one by one. Shri Hemendra Nath Brahma— absent — Shri Kali Ranjan Deb to move.

* **Shri Kali Ranjan Deb :** Hon'ble Speaker, Sir, I beg to move that the total provision of Rs. 306,83,20,000 Under Grant No. 64 in respect of 'Roads and Bridges' at Pages 45-68 of Volume-II Part-VI of the Budget for 1997-98 be reduced to Rs. 1/- i.e. the amount of the whole grant of Rs. 306,83, 20,000 do stand reduced to Re. 1.00-

**Mr. Speaker :** Now, Mustafa Shahidul Islam to move.

* **Shri Mustafa Shahidul Islam :** Hob'ble Speaker, Sir, I beg to move that the total provision of Rs. 306,83,20,00 under Grant No. 64 in respect of 'roads and Bridges' at pages 46-68 of Volume II Part VI of the Budget for 1997-98 be reduced to Re. 1.00 i.e. the amount of the whole grant of Rs. 306,83,20,000 do stand reduced to Rs. 1.00.

**Mr. Speaker :** Now, Hon'ble Member, Shri Prithivi Majhi to move.

* **Shri Prithivi Majhi :** Hon'ble Speaker Sir, I beg to move that the total provision of Rs. 306,83,20,000 under Grant No. 64 in respect of 'Roads & Bridges' at Pages 46-68 of Volume-II Part VI of the Budget for 1997-98 be reduced to Rs. 1.00 i.e. the amount of the whole grant of Rs. 306.83.20.000 do stand reduced to Rs. 1.00.

**Mr. Speaker :** Now, I call upon Hon'ble Member, Shri Kali Ranjan Deb to speak.

* **Shri Kali Ranjan Deb :** Hon'ble Speaker, Sir এই Grant এবং টাকাগুলা যাতে proper utilisation হয় তাহার ব্যবস্থা করতে হবে এবং সন্দে হয়ে Silchar Jayantiya Road, Rani Ferry, Silchar to Kalain Road, Haritikar Sadirkhal International Border Road সম্পূর্ণ করা হয়, তার পর Evaluation এবং Utilisation certificat গুলা পরীক্ষা করি যেন দেখা হয়।

* **মোস্তাফা শ্বহীদুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাৱ সমৰ্থন কৰি মোৰ বক্তব্য ৰাখিব খুজিছো। আমাৰ ইয়াত পথ আৰু দলঙৰ অৱস্থা অতি বেয়া। মই ভাবো ভাৰতৰ অন্য ঠাইতকৈ অসমৰে পথ আৰু দলঙৰ অতি দুৰৱস্থা। পথ আৰু দলঙৰ যি দুৰৱস্থা তাৰৈ চাই টকা দিয়াৰ প্ৰশ্ন নুঠে। অসমৰ ইমুৰৰ পৰা সিমুৰলৈ নেচনেল হাইওৱেৰ অৱস্থা একেবাৰে বেয়া। তিনিচুকীয়া পৰ্য্যন্ত পথছোৱা একেবাৰে অৱস্থা বেয়া। আমি দেখা পাইছো যে কিছুমান দলঙত চাইনবোৰ্ড মাৰি

* Speech not corrected

থোৱা আছে, দলং বেয়া বুলি। আমি ভাবিছিলো যে আমাৰ মন্ত্ৰীৰ আগৰ স্পিৰিট আছে। আগৰ স্পিৰিট থকা হ'লে পথ দলং ভাল হ'লহেঁতেন। কিন্তু আগৰ স্পিৰিট এইবাৰ দেখা নাই। আগৰবাৰ তেখেত ফ্লাড কণ্ট্ৰ'লত থাকোতে মোৰ তাত এক সপ্তাহৰ ভিতৰত এটা ডিভিজন দিছিল। কিন্তু এইবাৰ দেখিছো মোৰ সমষ্টিত এখন দলঙ আজি ৯ মাহে বেয়া হৈ আছে। সেই কাৰণে ভাবিছো মন্ত্ৰীৰ আজিকালি আগৰ স্পিৰিট নাই। আগতে এটা কলম লিখিলেই কাম হৈ গৈছিল। এতিয়া নোহোৱা হৈছে। এইবাৰো যাতে কিছুমান কাম কৰে তাৰ বাবে অনুৰোধ কৰিলো। অধ্যক্ষ মহোদয়, ৰাস্তা-ঘাট বনোৱাৰ কাৰণে ওৱাৰ্ল্ড বেংক বা নাবাৰ্ডৰ পৰা টকা আনি কাম কৰিব পাৰে। মহাৰাষ্ট্ৰলৈ যাওতে তাত দেখিছো তাৰ মুখ্য মন্ত্ৰী পাৱাৰ ডাঙৰীয়াই ৰাস্তা বনাইছে। সুধিলো ইমান টকা ক'ত পালে। বেংকৰ পৰা লোৱা বুলি ক'লে। সেই কাৰণে আমাৰ মন্ত্ৰী মহোদয়েও বিভিন্ন বেংক বা নাবাৰ্ডৰ পৰা টকা লৈ কাম কৰিব পাৰে। আগতে ৰাস্তা অন্ততঃ পাথৰৰ দেখিছিলো। এতিয়া তাকো নোহোৱা হ'ল। শিলগুটি নোহোৱা হৈ মাটি ওলাইছে। এসময়ত মতিৰাম বৰা ডাঙৰীয়া গড়কাপ্তানি বিভাগৰ মন্ত্ৰী আছিল। তেখেতে নগাঁৱত ৰাস্তা বনাইছিল সেই সেইবিলাক ৰাস্তা পিচ দিয়া আছিল। এতিয়া সেইবিলাক ৰাস্তাটো শিলগুটি ওলাইছে। মৰিগাঁও জিলাৰ ভিতৰতে হেড অফিচ। তাতো ভাল ৰাস্তা নাই। মানুহে নগাঁও হৈ ঘূৰি যাব লাগে ৪০-৫০ কিলোমিটাৰ ঘূৰি। য'ত দহ টকা খৰচ তাত মানুহে ৫০-৬০ টকা খৰচ কৰিবলগীয়া হৈছে। সেইকাৰণে মন্ত্ৰী মহোদয়ে বেংকৰ পৰা টকা আনি ৰাস্তা ঠিক কৰিব লাগে। মৰিগাঁও চাব ডিভিজনৰ কাৰণে ইয়াৰ চাৰিওফালে ৰাস্তা-ঘাট আছে। অধ্যক্ষ মহোদয়, আৰু এটা কথা মই বিশেষভাৱে ভাবিছো যে মাষ্টাৰ ৰোলৰ শ্ৰমিক কৰ্মচাৰীসকলৰ চাকৰী নিয়মীয়া কৰিলেহে কাম ভালদৰে হ'ব। শ্ৰমিক কৰ্ম্মচাৰীয়েহে ৰাস্তা-ঘাটৰ মেৰামতিৰ কাম কৰে। বৰমূৰীয়া সকলতকৈ শ্ৰমিক সকলেহে কাম কৰে। সেইকাৰণে শ্ৰমিক কৰ্মচাৰী সকলে যাতে প্ৰাপ্যৰ পৰা বঞ্চিত নহয় তাৰ আশা ৰাখিলো। আৰু এটা কথা ব্লেক টপিং কৰা কথা গম পাইছো। কেইদিনমান আগতে এটা প্ৰশ্নৰ উত্তৰত কৈছিল যে সামগ্ৰী কিনিছো। কিন্তু যিমান টকাৰ সামগ্ৰী কিনিছে সিমান টকাৰ প্ৰয়োজন হোৱা নাই। ব্লেক টপিং কৰাৰ ব্যৱস্থা সোনকালে কৰিব লাগে। কাঠৰ দলঙৰ কথা কৈছো। উচ্চতম কাৰ্য্যলয়ৰ নিৰ্দ্দেশ আছে গছ কাটিব নোৱাৰে। সেই কাৰণে যিবিলাক কাঠৰ দলঙ আছে সেই বিলাক পকী দলং কৰিব লাগে। অথবা তাত হিউম পাইপ, কালভাৰ্ট দিয়াৰ ব্যৱস্থা কৰিব লাগে। আৰ, চি, চি ব্ৰীজ কৰিলে ভাল হয়। আমাৰ ব্ৰীজ বিলাক মজবুট নহয়। বেলৱেৰ ব্ৰীজ বিলাক ইমান দিন যায় আৰু আমাৰ বিভাগৰ ব্ৰীজ বিলাক ১০-১৫ বছৰৰ ভিতৰত বেয়া হয়। সেইবিলাকৰ প্ৰতি নজৰ দিবলৈ অনুৰোধ কৰিলো। ৰাস্তা দল, ভাষা, ধৰ্ম্ম নিৰ্ব্বিশেষে সকলোকে লাগে। কেতিয়াবা ৰাস্তাৰ অভাৱত জুই লাগিলে জুই নুমোৱা গাড়ী যাব নোৱাৰে। উগ্ৰপন্থীক ধৰিবলৈও পুলিচ মিলিটাৰী ৰাস্তাৰ অভাৱত যাব নোৱাৰে। দলং নথকাৰ কাৰণে যাব নোৱাৰে। মোৰ সমষ্টিৰ মানুহ, লাহৰীঘাটৰ মানুহ, মৃত্যু মুখত পৰা মানুহ ৰাস্তা নোহোৱা কাৰণে গাড়ী মটৰৰ অভাৱত খেলাত নিবলগীয়া হৈছে। সেই কাৰণে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো।

পুনৰ আগৰ স্পিৰিট আনি বিষয়াক লগত লৈ অসমৰ পথ দলঙৰ কাৰণে কিমান টকাৰ প্ৰয়োজন সেইবিলাক ঠিক কৰি যুদ্ধকালীন গতিৰে কামত আগবাঢ়ক। মই আশা ৰাখিছো তেখেতে কৰিব পাৰিব। ৰাস্তা-ঘাট হ'লে অসমৰ শান্তি শৃঙ্খলা আহিব। শুনা যায় গড়কাপ্তানি বিভাগত ৪০/৬০ চলে। অৰ্থাৎ ৪০ শতাংশৰ কাম হয় আৰু ৬০ শতাংশৰ সৎ ব্যৱহাৰ নহয় গতিকে এতিয়া শতকৰা ১০০ ভাগৰেই কাম হোৱাটো আশা কৰিছো। আৰু কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**Mr. Speaker :** Now Shri Prithibi Majhi.

**শ্ৰীপৃথিবী মাঝি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আজি গড়কাপ্তানী বিভাগৰ যিতো কৰ্ত্তন প্ৰস্তাৱ আনিছে তাক সমৰ্থন জনাই দুআষাৰ ক'বলৈ ওলাইছো। এইবাৰ গড়কাপ্তানী বিভাগে মুঠ ৩০৬,৮৩,২০,০০০ টকা বিচাৰিছে আৰু এই টকাৰ পৰা কিবা কাম হ'ব বুলি মোৰ বিশ্বাস নহয়। মই এই কাৰণে নহয় বুলি কৈছো যে এই বিভাগৰ কৰ্ম্মচাৰীসকলক দৰমহা দিওঁতে বহু টকা যাব। লগতে আগৰ পৰা বহু ঠিকাদাৰে বিল পোৱা নাই, সেই ঠিকাদাৰ সকলক বহু কোটি টকা পেমেণ্ট কৰিব লাগিব। এই টকাখিনিৰে দৰমহা আৰু ঠিকাদাৰক দিওঁতে যাব কাৰণে উন্নয়নমূলক কামত কিমান টকা খৰচ পাৰিব? তথাপি মই এই টকা বিচাৰিছে যেতিয়া তাৰ বিষয়ে কেইটা মান পৰামৰ্শ দিবলৈ বিচাৰিছো। আজি অসমৰ ৰাস্তা-পদূলীৰ অৱস্থা একেবাৰে বেয়া হৈ আছে। এখন দেশ উন্নতিৰ পথত আগবাঢ়ি যাবৰ কাৰণে নিৰ্ভৰ কৰে সেই দেশখনৰ ৰাস্তা-পদূলীৰ ওপৰত। ৰাস্তা-পদূলীবিলাক বেয়া হ'লে কোনো ধৰণৰ উন্নয়নমূলক কাম-কাজ নহয়, ব্যৱসায় বাণিজ্যত পিচপৰি থাকে। আমি দেখিবলৈ পাইছো গ্ৰামীন অঞ্চলত ডি আৰ ডি এ ৰ জড়িয়তে কিছু কাম-কাজ হৈ আছে যদিও আমাৰ মূল ৰাস্তা বিলাকৰ কাম একেবাৰে বেয়া। মই ডিব্ৰুগড়ৰ কথাকে ক'বলৈ বিচাৰিছো — ডিব্ৰুগড়ৰ ৰাস্তাবিলাক আগতে ভাল আছিল যদিও এতিয়া একেবাৰে বেয়া হৈ গৈছে। বৰ্তমান চলাচল কৰিবৰ কাৰণে একেবাৰে অনুপযুক্ত। বিশেষকৈ নেচনেল হাইওৱেটো লেপেটকটাৰ পৰা তিনিচুকীয়ালৈ বৰষুণ পৰিলে একেবাৰে চলাচল কৰিব নোৱাৰা অৱস্থা। যদি এই ৰাস্তাটো অতি সোনকালে ভাল কৰা নহয় তেতিয়াহ'লে ই একেবাৰে চলাচলৰ কাৰণে অনুপযুক্ত হ'ব। সেয়ে মই মাননীয় মন্ত্ৰীক এই ৰাস্তাটোৰ বিষয়ে চকু দিবলৈ অনুৰোধ কৰিলো। মই ইয়াৰ আগতে এডিচনেল চক্ৰ ইঞ্জিনিয়াৰৰ লগত আলোচনা কৰিছিলো, তেতিয়া মই বুজিব পাৰিছিলো যে এই ৰাস্তাবিলাক বেয়া হৈ থকাৰ কাৰণ হৈছে অষ্টম পঞ্চমবাৰ্ষিক পৰিকল্পনাত টকা ধৰা হোৱা নাছিল, সেয়ে বহু দিন এই ৰাস্তা মেৰামতি হোৱা নাই। গতিকে এই ৰাস্তাবিলাকৰ কাৰণে আৰু নেচনেল হাইওৱেৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা অপৰ্য্যাপ্ত পৰিমাণৰ ফাণ্ড আনি ইয়াত খৰচ কৰিব লাগে। ইয়াৰ পিচতে মই আৰু এটা কথা ক'বলৈ বিচাৰিছো ডিব্ৰুগড়ৰ কাষেদি বাইপাচ নিৰ্মাণ কৰিবৰ বাবে ১৯৮৪ চনৰ পৰাই বহুত দাবী-দাবা চলি আছে, তাৰ কাৰণে চাৰ্ভে পৰ্য্যন্ত হৈ গৈছে। কিন্তু আজিলৈকে কোনো কাম হোৱা নাই। এইটো বৰবৰুৱাৰ পৰা চাউলখোৱালৈকে হোৱাৰ কথা আছিল যদিও এইটো হৈ নুঠিল।

মাননীয় অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত চতুৰ্থখন দলং নিৰ্মাণৰ কাম চলিবলৈ লৈছে।

এই দলংখন হৈ উঠাৰ পিচত ডিব্ৰুগড়ৰ ৰাস্তাবিলাকত যান-বাহনৰ ভিৰ হ'ব। সেয়ে এই ৰাস্তাবিলাক ভাল কৰাৰ লগতে ঠেক ৰাস্তাবিলাক বহল কৰাৰ ব্যৱস্থা লোৱাৰ বাবে মই বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো। মোৰ আৰু এটা দাবী আছিল, ডিব্ৰুগড় জিলাৰ দিহিং নদীৰ ওপৰত আঘোনীবাৰী-তেলপানীত এখন দলং হ'ব লাগে। এই দলংখন নোহোৱাৰ বাবে সোণাৰী, টিংখাং হৈ নাহৰকটীয়া ৰাস্তাইদি ঘূৰি আহিব লাগে। এই ক্ষেত্ৰত মাননীয় মন্ত্ৰীয়ে অইলৰ লগত যোগাযোগ কৰি ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা কৰিলো। মই আৰু বিশেষ নকও, উত্তৰ পাৰৰ দুটা কথা ক'বলৈ বিচাৰিছো-ৰঙাপাৰৰ গাভৰু দলংখন এতিয়াও হোৱা নাই এইটো সোনকালে কৰিব লাগে। ৰঙাপাৰা সমষ্টিৰে ডিপতা ৰঙাপাৰাত আৰু এখন দলং বনাব লাগে সেইটো সোনকালে কৰাৰ কাৰণে দৃষ্টি আকৰ্ষণ কৰিলো। কেৱল সেয়ে নহয় গোটেই অসমত ৰাস্তা পদূলীবিলাক বেয়া হৈ আছে সেইবিলাকৰ উন্নতি কৰিলেহে দেশৰ উন্নতি হ'ব আৰু বেপাৰ-বাণিজ্যত আগবাঢ়ি যাব পাৰিব। এইখিনিকে কৈ মোৰ বক্তব্য ইয়াতে সামৰণী মাৰিলো।

**Mr. Speaker :** Now Shri Derhagra Mochahary.

**শ্ৰীডেৰহাগ্ৰা মুচাহাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যিটো গড়কাপ্তানী বিভাগৰ কৰ্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধিতা কৰি কেইটামান কথা ক'বলৈ বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয় এই শিতানত যিখিনি টকা ধৰিছে সেইখিনি টকা যথেষ্ট নহয় তাৰ পৰিমাণ বঢ়াব লাগে আৰু লগতে উন্নয়নৰ কাৰণে কেইটামান পলিচি বনাব লাগে। বৰ্তমান গড়কাপ্তানী বিভাগৰ ৰাস্তা আৰু দলঙৰ ব্যৱস্থা গোটেই অসম জুৰি একেবাৰে বেয়া হৈ আছে। তাৰ কাৰণে গোটেই অসমৰ ৰাইজে যথেষ্ট কষ্ট ভোগ কৰিব লগা হৈছে। ৰাস্তা-ঘাট আৰু দলং বিলাক বেয়া হৈ থকাৰ কাৰণে যানবাহন চলাচলত অসুবিধা হৈ আছে। এতিয়া আমাৰ যিখিনি টকা ধাৰ্য্য কৰি দিয়া হয় সেইটকাবিলাক সৎভাৱে ব্যৱহাৰ কৰিব লাগে। এইবিলাক খৰচ কৰাত বিভাগীয় কৰ্তৃপক্ষৰ তৎপৰতা হোৱাটো বিচাৰো। আমি সেইটো বহু সময়ত দেখিবলৈ নাপাও। সেয়ে এই টকা বিলাকৰ অপচয় হয়। যিখিনি টকা ধাৰ্য্য কৰা হয় সি সৎ কামত ব্যৱহাৰ নহয়। মই সেই কাৰণে ক'বলৈ বিচাৰিছো যে এই ৰাস্তাবিলাক উন্নতি কৰিবৰ কাৰণে বি আৰ টি এফক দিলে ভাল হ'ব। কিয়নো আমি দেখিবলৈ পাইছো যে মেঘালয়ৰ পৰা যিটো ৰাস্তা বৰাকভেলী লৈ গৈছে সেইটো বি আৰ টি এফ এ কৰিছিল। তেনেকৈ কোকৰাঝাৰ জিলাৰ গেলেফুঙৰ পৰা কাচি কট্ৰালৈ, নলবাৰী জিলাৰ দৰঙ্গা-ভূটানৰ ৰঙিয়া লৈ যোৱা বি আৰ টি এফ এ কৰিছিল। সেয়ে অসম চৰকাৰৰ ফালৰ পৰা যিখিনি কৰিব পাৰে সেইখিনি কৰাৰ পিচত অন্যান্য তেনে ধৰণৰ কিছু ৰাস্তা চেণ্ট্ৰেল এজেঞ্চিৰ জৰিয়তে কৰিবলৈ দিলে ভাল হয়।

(Hon'ble Speaker grants the seat and Hon'ble Dy. Speaker occupied it)

মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা কথা বাৰে বাৰে কৈ আহিছো। ভাৰত-ভূটান সীমান্ত অঞ্চল আৰু অসম অৰুণাচল সীমান্ত অঞ্চলৰ পুবা- পশ্চিমাকৈ এটা অতি দৰ্কাৰী ৰাস্ত বনাবলগীয়া আছে। সেই ৰাস্তাটো বনাবৰ কাৰণে আজি মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে গড়কাপ্তানী মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো। সেই ৰাস্তাটো যিহেতু অতি দৰকাৰী বি আৰ ডি এফৰ

যোগে যদি কৰা হয় ৰাইজ উপকৃত হ'ব। সেই ৰাস্তাটো সীমান্ত অঞ্চলৰ ৰাস্তা। এতিয়া উগ্ৰপন্থীসকলৰ বাসস্থান। উগ্ৰপন্থীসকলক যি সুবিধা লাগে তাত সেইবোৰ আছে। ৰাইজৰ বেপাৰ-বাণিজ্যৰ কাৰণে সেই ৰাস্তাটো অতি দৰকাৰী। মই জানো যে অসম চৰকাৰৰ এই ৰাস্তাটো বনাবৰ কাৰণে টকা নুজুৰিব। সেই কাৰণে বি আৰ টি এফৰ টকাৰ পৰা ধৰিব লাগে। মোৰ সমষ্টিৰ নাগ্ৰিজুলীৰ পৰা গুৱাহাটীলৈ অহা পথটো দীঘলীয়া পথ। যোৱা পৰহি ৰাজ্যসভাৰ সদস্য শ্ৰীতাৰাপদ মজুমদাৰে মোৰ সমষ্টিলৈ গৈছিল তেখেতে ক'লে আপোনাৰ সমষ্টিৰ ৰাস্তা কেনেকুৱা। ইমান বেয়া ৰাস্তা। মানুহ কেনেকৈ অহা-যোৱা কৰে? জ্যেষ্ঠ মন্ত্ৰী এজন শ্ৰীথানেশ্বৰ বড়ো ডাঙৰীয়াও আছে, তাৰোপৰি গড়কাপ্তানী মন্ত্ৰী আছে; ৰাস্তাটোৰ বিষয়ে তেওঁলোকে ভাবি চাব। সেই ৰাস্তাটো অতি দৰকাৰী। মোৰ সমষ্টিৰ যিবিলাক ৰাস্তা আছে সেইটো বাদেই দৰং জিলাৰ কথা ক'ব খুজিছো। এটা ৰাস্তা আছে খুব সম্ভৱ সেই ৰাস্তাটোত ১০/২০ খন মান দলং আছে। সেই ৰাস্তাৰ দলংবিলাক অতি দৰকাৰী। যাৰ অবিহনে ৰাইজে দৈনন্দিন জীৱনত যথেষ্ট অসুবিধা ভোগ কৰিবলগীয়া হয়। সেইবোৰ গুৰুত্বসহকাৰে নজৰ দিব লাগে। যদি আমি উন্নতিৰ পথত আগবাঢ়িব লাগে সেই ৰাস্তা-ঘাটবোৰ কৰাটো অতি প্ৰয়োজন। সেই ৰাস্তাৰে স্কুল-কলেজৰ ল'ৰা-ছোৱালীবিলাকে শিক্ষা গ্ৰহণৰ কাৰণে যাব লাগে। বেমাৰ-আজাৰ হোৱাৰ সময়ত অহা যোৱা কৰিব লাগিলে এনেকুৱা ধৰণৰ অসুবিধা ভোগ কৰি আছে— কিছুমান ৰাস্তা আছে বেমাৰ হ'লে ৰোগীক বস্তাত সুমুৱাই পেলাই ভাৰকৈ লৈ চিকিৎসাৰ কাৰণে নিব লাগে। সা-সুবিধা নেপায়। গাড়ীটো বাদেই। তেনেকুৱা অৱস্থা ৰাইজে ভোগ কৰি আছে। সেই কাৰণে মই মূলতঃ ক'ব খুজিছো গড়কাপ্তানি বিভাগে আৱণ্টনৰ যোগেদি যিখিনি টকা পায় সেইখিনি ভালকৈ খৰচ কৰিব লাগে। আৰু সেইখিনি কাম কৰিব নোৱাৰিলে সেইবিলাক চেণ্ট্ৰেল এজেঞ্চিৰ যোগে, টাস্কফোৰ্চৰ যোগে কৰাটো ভাল। উন্নতি কৰা অতি দৰকাৰ এনেয়ে পেলায় থৈ লাভ নাই। মই দীঘলীয়া নকৰো, মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে এই সম্পৰ্কত নজৰ ৰাখে। মই যিখিনি কৈছো তেখেতে যাতে গুৰুত্বসহকাৰে দায়িত্ব লয়। গড়কাপ্তানি বিভাগে ৰাস্তা কৰিব নোৱাৰাত দুবছৰ আগতে বি আৰ টি এফক এটা ৰাস্তা দিছো। সেই ৰাস্তাটো হৈ উঠিছে আৰু ভাল হৈছে। যোৱা ২৫ বছৰ আগতে থকা গেলেংপুঙৰ পৰা যোৱা ৰাস্তাটো বি আৰ টি এফৰ যোগেদি কৰা হৈছিল। ঠিক তেনেকুৱা ধৰণে বিভাগীয় কৰ্তৃপক্ষই অন্ততঃ ৰাইজৰ সা-সুবিধাৰ কাৰণে এইখিনি কৰিবলৈ আগবাঢ়ি আহিলে মই নথৈ আনন্দিত হম। এইখিনি কৈ মই কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি বক্তব্যৰ সামৰণি মাৰিছো।

**Deputy Speaker :** Now, Shri Hemen Das.

**শ্ৰীহেমেন দাস ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তৱৰ বিৰোধীতা কৰি মই দুষাৰমান ক'ব বিচাৰিছো। আমি বিধায়ক হৈ অহাৰ সময়ত ৰাষ্ট্ৰীয় ঘাই পথৰ যি দুৰৱস্থা আছিল গাড়ী-মটৰ চলিব পৰা নাছিল এতিয়া কিন্তু যথেষ্ট ভাল হৈছে আৰু আজি আমি আহিব পাৰিছো। মই গোটেই অসমৰ কথা নাজানো কিন্তু আমাৰফালে ৰাষ্ট্ৰীয় ঘাই পথৰ অৱস্থা এতিয়া ভাল হৈছে।

(ভইছ ঃ ধেমাজিৰ কথা কওক)

হাজো-বৰপেটা ৰাস্তাৰে বৰপেটালৈ যাবলৈ হ'লে আগতে বহুদূৰ ঘুৰিবলগীয়া হৈছিল। বেয়া ৰাস্তাৰ কাৰণে কিন্তু এতিয়া হাজো-বৰপেটা ৰাস্তাটো গাড়ী-ঘোঁৰা যাব পৰা হৈছে। কেইখনমান দলঙৰ দুয়োফালে মাটি নাছিল বহুদিন ধৰি এতিয়া কিন্তু দলঙৰ মুৰ কেইটাত মাটিও পৰিছে। বিভাগটোৱে দৰকাৰী ৰাস্তা বিলাকৰ কাম আৰম্ভ কৰা বুলি বুজিব পৰা হৈছে। উপাধ্যক্ষ মহোদয়, আমি এটা কথা মনত ৰাখিব লাগিব যে ৰাস্তা-ঘাটৰ ওপৰতেই ৰাজ্যখনৰ ব্যৱসায় বাণিজ্য আৰু উন্নয়নৰ প্ৰসাৰতা ঘাইকৈ নিৰ্ভৰ কৰে। ৰাস্তা-ঘাট এইবিলাক কাৰণেই অত্যাৱশ্যকীয়। বেয়া ৰাস্তাবিলাক চিনাক্তকৰণ কৰি উলিয়াই ল'ব লাগে আৰু সেই মতে অতি প্ৰয়োজনীয় ৰাস্তাবিলাকৰ কাম আগধৰি কৰিব লাগে। হাজো-নলবাৰী ৰাস্তা অতি প্ৰয়োজনীয়। কিয়নো প্ৰায় প্ৰতি পাঁচ মিনিটৰ মূৰে মূৰে গাড়ী চলে। অন্যান্য ৰাস্তাটো কি পৰিমাণৰ যান-বাহন চলে সেইটো চিনাক্তকৰণ কৰি উলিয়াই ল'ব লাগে আৰু প্ৰথম পৰ্যায়ত সেইবিলাক ৰাস্তাৰ কাম আৰম্ভ কৰিব লাগে। সেইবিলাক ৰাস্তাৰ দলঙেই হৈছে প্ৰধান সমস্যা। অসমত এনে বহুত ঠাই আছে যিবিলাকত এক কিলোমিটাৰৰ ভিতৰতে ৰাস্তাৰ ওপৰত দুই তিনিখন দলং আছে। দলং বিলাকো কাঠৰ দলং। কাঠৰ দলং বিলাক নতুনকৈ মেৰামতিও কৰিব নোৱৰি। মোৰ ঘৰৰ সমুখত এখন সৰু কাঠৰ দলং আছে। মেৰামতি কৰিলে যিটো খৰচ হয় তাতকৈ কালভাৰ্ট এটা দিলেই কম খৰচত হয়। সৰুসুৰা দলং আটাইবোৰ কালভাৰ্টলৈ পৰিৱৰ্তন কৰিব লাগে। তেতিয়া হ'লে বিভাগটোৰ বহুত টকা অপচয় হোৱাৰ পৰা ৰক্ষা পৰিব। সিদিনা মোৰ ওচৰলৈ এজন জে-ই আহি ক'লে যে কোনোবা এটা ৰাস্তাৰ শিল যোগানৰ বিলখন দিয়াৰ কাৰণে হেনো ঠিকাদাৰে ধৰি আছে। শিল দিয়া নাই কিন্তু বিলখন পাচ কৰি দিব লাগে হেনো। এইটো এটা সাংঘাটিক দুৰ্নীতি ৰাস্তাত শিল দিয়াৰ নামত বহুত টকা অপচয় হয়। উপাধ্যক্ষ মহোদয়, আপুনিও নতুনকৈ আহিছে আমি কিন্তু ভালেকেইবছৰৰ পৰা আহি আছো। এম এন পিৰ জৰিয়তে বহুত ৰাস্তা আমি তৈয়াৰ কৰিছিলো। অলপতে এজন কাৰ্য্যবাহী অভিযন্তাই কৈছিল চালনী লৈ যাব লাগিব ৰাস্তা চাবলৈ। অৰ্থাৎ শিলগুটি আছে নে নাই চালনীৰে চাব লাগিব। যিবিলাক এম-এন- পি ৰাস্তাত শিল দিয়া বুলি কৈছিল সেইবিলাকত আচলতে শিল দিয়া নাই। শিল দিয়াৰ নামত টকা ধাৰ্য্য কৰা হৈছে যদিও আচলতে শিল দিয়া নাই আৰু নিদিয়েও।

(ভইছ ঃ ৰাস্তা ভাল নহ'লে চেহেৰা পাতি ভাল হয়।)

বেছিভাগ টকাৰ অপচয় হয়। শিল দিয়াৰ নামত টকা খৰচ হয় কিন্তু শিল নিদিয়ে।

(ভইছ ঃ শিলবিলাক গলি যায়।)

এইবিলাক অপচয় ৰোধ কৰিব লাগে। এইবাৰ মাটি দিয়ক। ইয়াৰ বাহিৰেও কিছুমান গড়কাপ্তানী ৰাস্তাতো শিল দিয়াৰ নামত টকাৰ অপচয় হৈ আছে। ক'ৰবাত আকৌ ৰাস্তাৰে গ'লে দেখা যায় শিলগুটি সিচৰতি হৈ পৰি আছে কিন্তু ৰাস্তাৰ ওপৰত ছটিয়াই দিয়া লোক নাই। মাষ্টাৰ ৰোলত মানুহ আছে যদিও কামবিলাক কৰা নাই। কিছুমান ডিভিজনত দিনে ৰাতিয়ে মাষ্টাৰ ৰোল কৰ্মী

দিয়েই থাকে। তাৰ পিছত এজন আহি খেদাই দিয়ে। আকৌ হাইকোৰ্টৰ পৰা অৰ্ডাৰ লৈ মাষ্টাৰ ৰোলৰ চাকৰি চলাই আছে। এতিয়া ভাল টিকাদাৰেও কাম নোপোৱা হৈছে এই বিলাক ভুল কথাৰ কাৰণে। বহুত ঠিকাদাৰে বিলৰ টকাও পোৱা নাই। কাম কৰি আছে কিন্তু টকা পোৱা নাই। আধৰুৱা কাম কৰা আৰু কাম মুঠেই নকৰা বিলাক চিনাক্ত কৰিব লাগে। আচলতে ক্ৰমান্বয়ে যদি ৰাস্তাবিলাক ব্লেক টেপিঙৰ কাম কৰা হয় তেতিয়াহ'লে শেহান্তৰত আমাৰ লাভ বেছি হ'ব। এনে কিছুমান অফিচাৰ আছে বিলখন আগতে পাচ কৰি দিয়ে পিচত বস্তু বিলাকৰ যোগান ধৰাৰ কথা থাকে যদিও বেছিভাগ বস্তু বাহানিয়েই যোগান ধৰা নহয়গৈ। এনে ঘটনা বহুত ঠাইত হৈ আছে। যদি এইবিলাকত নজৰ দিয়া নহয় তেনেহ'লে আজি যিটো চলিছে সেইটো চলিয়েই থাকিব। এইবাৰ বাজেট গড়কাপ্তানী মন্ত্ৰীয়ে বহুত টকা পাইছে। ৩ শ কোটিৰো বেছি টকা পাইছে। গতিকে কামবিলাক কৰিবলৈ চেষ্টা কৰিব লাগিব। বিভাগটো ঠিকভাৱে চলিবলৈ সজ, নিষ্ঠাৱান আৰু কৰ্মদক্ষ কাৰ্য্যবাহী অভিযন্তা কিছু উলিয়াই ল'ব লাগিব, যিসকলৰ অন্ততঃ কিছু পৰিমাণে অনেষ্টি থাকে তেনে লোকক লৈ কাম আৰম্ভ কৰিব লাগে। তেনে কৰিলে এই বৃহৎ পৰিমাণৰ টকাৰে অসমৰ ৰাস্তা-ঘাটৰ উন্নতি নিশ্চয় হ'ব। উপাধ্যক্ষ মহোদয়, ৰাস্তা-ঘাটেই হৈছে শিক্ষা-দীক্ষা, ব্যৱসায়-বাণিজ্য সকলোৰে কাৰণে প্ৰধান আৰু প্ৰথম কথা। আন্তগাথনি ঠিক নহ'লে মানুহ অহা-যোৱা কৰিব নোৱাৰে। আমাৰ সমষ্টিৰে কথা কৈছো। এখন দলং মাননীয় বৰা ডাঙৰিয়াই উদ্বোধন কৰিছিল তাৰ পিচত সিপাৰে আকৌ উদ্বোধন কৰাৰ চেষ্টা চলাইছিল। ৰাস্তা-ঘাট কংগ্ৰেছেই কৰক বা এ জি পিয়েই কৰক বা চি পি এমেই কৰক সকলোৰে অহা যোৱা কৰিব। ৰাস্তা-ঘাট সকলোৰে কাৰণে অতি প্ৰয়োজনীয়। যি চৰকাৰেই আৰম্ভ নকৰক কিয় পিচৰ চৰকাৰে তাক সম্পূৰ্ণ কৰিবলৈ ব্যৱস্থা ল'ব লাগে। কিন্তু আচৰিত কথা মই যিবিলাক ৰাস্তাৰ কাম আৰম্ভ কৰিছিলো সেই বিলাকত যোৱা সময় চোৱাত এক কোডালো মাটি নপৰিল। এইবাৰৰ বিধায়কজনেই সেইবিলাক ৰাস্তা সম্পূৰ্ণ কৰিবলগীয়া হৈছে। এজন কাৰ্য্যবাহী অভিযন্তাক এম-এন-পি ৰাস্তাৰ কাৰণে মেপ তৈয়াৰ কৰাৰ কথা কৈছিলো। অঞ্চলটোত যিবিলাক ৰাস্তাৰ প্ৰয়োজন সেই মতে মেপ তৈয়াৰ কৰি পৰ্য্যায়ক্ৰমে কৰি থাকিব লাগে। তাত কোন দলৰ বিধায়কে দিলে নিদিলে সেইটো চাব নালাগে। কিয়নো ৰাস্তাখিনি সমূহীয়া ৰাইজৰ কাৰণেই কৰা হ'ব। কংগ্ৰেছৰ বেয়াখিনি ল'ব নালাগে কিন্তু কংগ্ৰেছী বিধায়কে দিছিল কাৰণে ৰাস্তাটোৰ কাম বন্ধ হ'ব নালাগে। ৰাস্তা এটা সকলোৰে কাৰণে লাগে। খেতিয়কসকলে নিজৰ নিজৰ উৎপাদিত বস্তু-বাহানি কঢ়িয়াই বজাৰলৈ নিবলৈ হ'লেও ৰাস্তাৰ প্ৰয়োজন। কিন্তু খেতিয়কে নৰক যন্ত্ৰণা ভোগ কৰিবলগীয়া হৈছে। যিলাক ঠাইৰ ৰাস্তাত গৰু-গাড়ী, ম'হ-গাড়ী নচলে তাত ঠেলাৰে খেতিয়কসকলে অতি কষ্ট কৰি উৎপাদিত সামগ্ৰী বজাৰলৈ নিবলগীয়া হৈছে। খেতিয়ক বজাৰলৈ অহা ৰাস্তা বিলাক চিনাক্ত কৰি লৈ অগ্ৰাধিকাৰ ভিত্তিত সেইবিলাক ৰাস্তাত কাম কৰিব লাগে। এই এশ বাৱন্ন কোটি টকাৰে গুৰুত্বপূৰ্ণ ৰাস্তাবিলাকত কাম আৰম্ভ কৰিলে অহা বছৰলৈ যথেষ্ট কাম হ'ব বুলি মোৰ বিশ্বাস। তাৰ উপৰিও যিমান পাৰি সৰুসুৰা কাঠৰ দলং বিলাক কালভাৰ্টলৈ ৰূপান্তৰিত কৰিব লাগে। হিউম

পাইপ দি কৰিব পাৰে। চেঁচা-বৰম্বে ৰাস্তাৰ চেঁচাৰ ওপৰত দলংখনৰ দুই মূৰ দুটাত খুটি পুতি থোৱা আছে বহুদিনৰ পৰা। কোন ঠিকাদাৰক কাম দিয়া হৈছিল সেইটো কিয় কৰা নাই মন্ত্ৰী মহোদয়ে অনুসন্ধান কৰি কামটো কৰিব লাগে।

(ভইছ ঃ) আমাৰ ফাললৈ অলপ কওক।)

ঘিলামৰাৰ পৰা ঢকুৱাখানালৈ যোৱা ৰাস্তাটো বানপানীয়ে নষ্ট কৰিছে। ঢকুৱাখানা এটা মহকুমাৰ সদৰ। অথচ তালৈ ৰাস্তা নাই। মই ছাপন্ন কিলোমিটাৰ মটৰ চাইকেলত উঠি ঘুৰি চাইছো। গাড়ী নাযায় কাৰণে এজনৰ পিছত মটৰ চাইকেলত বহি চাইছো। অলপ বেছি টকা লাগিব সেইখিনিৰ কাৰণে। তাৰ ৰাইজে ভুগি থকা দুৰ্গতি আঁতৰ কৰিবলৈ এই ৰাস্তাখিনিৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে। দুই এক কোটি টকাৰে তাত একো নহ'ব। তাৰ কাৰণে সুকীয়া ব্যৱস্থা কৰিব লাগিব। তথাপি সেই অঞ্চলৰ ৰাইজক দুৰ্গতিৰ পৰা মুক্ত কৰাৰ ব্যৱস্থা কৰিব লাগিব। বৈঠালাংছুত এন ই চিৰ পৰা কৰা দলং এখন কাউন্সিলে উদ্বোধন কৰিলে আৰু তাৰ পিচত প্ৰয়াত মুখ্যমন্ত্ৰীয়ে আকৌ এবাৰ উদ্বোধন কৰিলে। এই বিলাক গৰ্হিত কাম। কংগ্ৰেছেই উদ্বোধন কৰক, শইকীয়াই উদ্বোধন কৰক সেইটো কথা নাই, কাম বিলাক শেষ কৰিব লাগে জনসাধাৰণৰ স্বাৰ্থতহে। উপাধ্যক্ষ মহোদয়, আৰু দীঘলীয়া নকৰো। এইখিনি কৈয়েই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker :** Now, Shri Ali Akbar Miah

* **শ্ৰীআলী আকবৰ মিঞা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি গড়কাপ্তানী বিভাগৰ দাবী মঞ্জুৰীৰ ওপৰত যি কৰ্তন প্ৰস্তাৱ আনিছে মই তাৰ বিৰোধীতা কৰি এই বিভাগৰ কাম-কাজৰ ওপৰত কিছু কথা ক'ব বিচাৰিছো। আমি আজি দেখিছো যে ইয়াত যি বিলাক আলোচনা হয় বা হৈছে সেইবিলাক বৰপেটাৰফালৰ পৰা আমাৰ ধুবুৰীৰ ফালৰ কথা আলোচনা কম হয়। কেতিয়াবা আলোচনা হ'লেও গুৰুত্ব কম পায়। মোৰ বন্ধু শ্বহীদুল ইছলাম ডাঙৰীয়াই বহুখিনি কথা কৈছেই। ময়ো মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰো যে বিশেষকৈ ধুবুৰী জিলাৰ (ক'ব লাগিব যে ভাৰতবৰ্ষৰ ভিতৰতে অসমৰ ৰাস্তা বেয়া, আৰু গোটেই অসমৰ ভিতৰতে ধুবুৰী জিলাৰ) ৰাস্তা বেয়া। এইটো ক'বই লাগিব যে ধুবুৰী জিলাৰ ৰাস্তাবিলাক সমগ্ৰ অসমৰ ভিতৰতে আটাইতকৈ বেয়া। ধুবুৰী জিলাৰ বিলাসীপাৰা পশ্চিম সমষ্টি, এইটো মোৰ সমষ্টি, ইয়াত এটাও ৰাস্তা ভাল নাই। সাপটগ্ৰাম আদি ঠাইলৈ যোৱাৰ কোনো উপযোগী ৰাস্তা নাই। সাপটগ্ৰাম ৰাস্তাটোৰ ডেৰ কিলোমিটাৰমান ৰাস্তা পকী হৈছে বাকীখিনি ৰাস্তা পকী হোৱা নাই। মই বিধায়ক হৈ অহাৰ পিছত মন্ত্ৰী মহোদয়ক বাৰে বাৰে অনুৰোধ কৰিছো, সকলো বিধায়কে মন্ত্ৰী মহোদয়ক নিজৰ নিজৰ সমষ্টিৰ কাৰণে অনুৰোধ কৰে। ময়ো অনুৰোধ কৰিছিলো যে মোকো এটা সময় দিব লাগে আপুনি আমাৰ সমষ্টিলৈ আহক আৰু মই কোৱা কথাখিনি সচাঁ হয়নে নহয় চাওক আৰু কিবা এটা কৰাৰ ব্যৱস্থা কৰক। মই দলীয়বিধায়ক হিচাপে অনুৰোধ কৰিছিলো অন্ততঃ পশ্চিম বিলাসীপাৰা সমষ্টিলৈ এটা প্ৰগ্ৰেম কৰক। কিন্তু দুখৰ কথা মন্ত্ৰী মহোদয়ে এতিয়ালৈকে একো হিনচ্ নিদিলে। সেই কাৰণেই আজি মই সদনত এই কথাটো উলিয়াইছো যাতে মন্ত্ৰী মহোদয়ে ধুবুৰী

---

* Speech not corrected

জিলালৈ এটা প্ৰগ্ৰেম কৰাৰ আশ্বাস দিয়ে। ১৯৮৮ চনতে বাৰিষাৰ বানত বিলাসীপাৰা-পিয়াজবাৰীকে ধৰি তিনিটা ৰাস্তা আৰু তাৰ দলং নদীয়ে উটুৱাই নিলে। তাৰ পিছত আজিলৈকে এই ৰাস্তা বা দলঙৰ একো মেৰামতি কৰা নহ'ল। সময়মতে এই দলংবোৰ অন্ততঃ মেৰামতি কৰি দিয়া হ'লে বৃহত্তৰ অঞ্চলৰ মানুহৰ চলাচলত সুবিধা হ'লহেঁতেন। কিন্তু এইবোৰ ৰিপেয়াৰ কৰাৰ কোনো ব্যৱস্থা নকৰিলে। মোৰ বিশ্বাস আগৰ চৰকাৰে এইবিলাক মাইনৰিটী সংখ্যলঘু অধ্যুষিত অঞ্চল বুলি অকল ভোটবেংক হিচাপে ব্যৱহাৰ কৰি, ভোট খোজাৰ সময়ত অকল সান্ত্বনাৰ বাণী শুনাই থোৱা ব্যৱস্থা কৰিছিল। আজি মোৰ বিশ্বাস আমাৰ চৰকাৰে পাৰশ্যনেলী কথাবিলাক চাই-চিতি এই ৰাস্তা তিনিটা আৰু লগতে দলং কিখন চলিত বছৰতে অন্ততঃ মেৰামতি কৰি দিয়াৰ ব্যৱস্থা কৰিব। তাৰ বাবে মই ভাবো তেখেতক বৰ বেছি টকাৰ দৰকাৰ নহ'ব। সাত-আঠ লাখ বা দহ লাখমান টকা হ'লেই হৈ যাব। ১৯৮৮ চনতে প্ৰৱল বানপানীয়ে এইবোৰ উটাই লৈ গৈছিল। এই তিনিখন দলঙৰ প্ৰত্যেকখনতে ৭-৮ লাখতকৈ বেছি টকা নালাগে দলং মেৰামতি কৰিবৰ কাৰণে। মই মন্ত্ৰীমহোদয়ক অনুৰোধ কৰিছো যে তাৰাতাৰি এইবিলাক মেৰামতি কৰাৰ কাৰণে বিশেষ ব্যৱস্থা ল'ব লাগে। আমাৰ বিলাসীপাৰা পশ্চিম সমষ্টিৰ ৰাস্তাৰ কোনো কাম হোৱা নাই। বিষয়াসকলে আজি বিধায়কসকলক কোনো গুৰুত্ব নিদিয়ে। সেয়ে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো এই ৰাস্তাকেইটা গুৰুত্বসহকাৰে লৈ অতি শীঘ্ৰে ইয়াৰ কাম আৰম্ভ কৰিবলৈ ব্যৱস্থা লওক। তাৰোপৰি আৰু এটা কথা হৈছে যে আমাৰ ধুবুৰী জিলাৰ বহু ৰাস্তা বানপানীয়ে উটুৱাই নিয়ে। আনকি এজাক বৰষুণ পৰিলেই ৰাস্তা খহাই নিয়ে। তেনেক্ষেত্ৰত লগে লগেই যদি ৰিপেয়াৰিঙৰ ব্যৱস্থা কৰাহেঁতেন হয়তো ৰাস্তা কেইটা ৰক্ষা কৰিব পৰা গ'লহেঁতেন। এক হেজাৰ টকাৰ মাটি পেলাই দিয়া হ'লও ৰাস্তাটো চেফ হ'লেহেঁতেন। লগে লগে এই অলপমান কাম নকৰাৰ কাৰণেই পিচত এক, ডেৰ লাখ টকাৰ আঁচনি এখন ল'ব লগীয়া হয়গৈ। গতিকে টকাৰ অভাৱ বুলি কামবোৰ নকৰে, পাচত গৈ দেখা যায় অধিক টকাৰ আঁচনি গ্ৰহণ কৰিবলগীয়া হয়। এইবোৰ আগৰ চৰকাৰৰ দিনৰে কথা। মই এতিয়া আমাৰ মন্ত্ৰী মহোদয়ক ব্যক্তিগতভাৱে কৈছো আৰু আশা কৰিছো ব্যক্তিগতভাৱে তেখেতে এইটো বিষয়বোৰ দায়িত্ব লৈ বিশেষ ব্যৱস্থাৰে কাম কৰিবলৈ দিয়ে। প্ৰয়োজন হ'লে আমি ৰাইজৰ সতে ভলেণ্টিয়াৰী ছাৰ্ভিচ দিয়াৰ ব্যৱস্থা কৰিবও পাৰিম। এতিয়া ভলেণ্টিয়াৰী ছাৰ্ভিচ দি লাভ নাই। এতিয়া চৰকাৰৰ ফালৰ পৰা প্ৰথমতে মেৰামতি কৰি দিব লাগিব। তাৰ পিছত বাৰিষা যেতিয়া আকৌ পানীয়ে খহাই নিয়ে তেতিয়া ভলেণ্টিয়াৰী ছাৰ্ভিচ দিয়াব পাৰিম মোৰ ওৱাৰকাৰ আছে।

পি ডব্লিউ ডি-ৰ মাষ্টাৰ ৰোলৰ যিবিলাক কৰ্মী আছে সেই কৰ্মীসকলক লৈ এই ৰাস্তাবোৰৰ ৰিপেয়াৰ কৰি দিব লাগে। বিলাসীপাৰাৰ আই - বিৰ পৰা চৰ অঞ্চললৈকে যোৱাৰ এটাই মাত্ৰ ৰাস্তা আছে, সেই ৰাস্তাটোও দুই এঠাইত নহয় একেবাৰে আঠটা ঠাইত ভগা, ১৯৮৮ চনতে বানপানীয়ে এইটো খহাই নিছিল। এইটো ৰাস্তা গুৰুত্বসহকাৰে লৈ কিবা এটা বিহিত ব্যৱস্থা কৰিব লাগে। ৰিপেয়াৰিং কৰাৰ ব্যৱস্থা কৰিব লাগে অহা বাৰিষাৰ আগতেই। নহ'লে কিন্তু এইবছৰ আকৌ বাৰিষা আহিলে বাকী ৰাস্তাখিনিও উঠাই লোৱাৰ সম্ভাৱনা আছে। এই সমূহ বিষয়ৰ ওপৰত বিশেষ গুৰুত্ব

দি কাম কৰাৰ নিৰ্দেশ মন্ত্ৰী মহোদয়ে দিব বুলি আশা ৰাখি বিৰোধী দলে অনা কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মোৰ বক্তব্য সামৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, বিলাসীপাৰাত সাহিত্য সভা হৈ গ'ল। বিলাসীপাৰালৈ পশ্চিম সমষ্টিৰ বিভিন্ন ঠাইৰ পৰা বিলাসীপাৰা লৈ যাওঁতে ছয় ঠাইত ৰাস্তা বেয়া হৈ আছে। সাহিত্য সভাত টকা দিয়া হ'ল কিন্তু সেইবোৰ বেয়া ৰাস্তা বা ভঙা ঠাই, ৰাস্তা এটাও ভাল কৰা নহ'ল। বিলাসীপাৰাৰ পৰা কৃষ্ণ নগৰলৈ প্ৰায় ছয় ঠাইত বেয়া। মই ব্যক্তিগত হিচাপে ৫০ হেজাৰ টকা দিছিলো তথাপিতো একো ষ্টেপ নহ'লে বেয়া ৰাস্তাটো ভাল কৰাৰ। বাকী ২০ কিলোমিটাৰ ৰাস্তা আছে সেই ৰাস্তাটোৰ কাৰণে মই এম, এল, এ ফাণ্ডৰ পৰা টকা দিছো। সেই টকাৰে মাজে মাজে ভাল কৰা হৈছে। চৰ অঞ্চলত বিশেষকৈ নায়েৰ আলগাৰ ওচৰত গৌৰাঙ্গ নদীৰ ওপৰত দলং এখনৰ ব্যৱস্থা কৰা অতি প্ৰয়োজন হৈ পৰিছে। অথচ তাৰ কাৰণে আঁচনিত টকা ধৰা নাই। বিলাসীপাৰা বঙলা-মায়াৰ চৰ ৰাস্তা মেৰামতিৰ বাবে মাত্ৰ ৩৪ হেজাৰ টকাহে দিয়ে। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে তেখেতে এই সকলো বিষয় ব্যক্তিগতভাৱে এবাৰ চাই আহিবৰ বাবে মই আমাৰ মাননীয় গড়কাপ্তানী মন্ত্ৰীক অনুৰোধ জনাইছো। বিলাসীপাৰা সমষ্টিৰ বিধায়ক হিচাপে এই অনুৰোধ জনাইছো। মোৰ বক্তব্যখিনিতে যদি গুৰুত্ব বেছি আছে তেন্তে এই সদনতে আশ্বাস দিব বুলি আশা ৰাখি কৰ্তন প্ৰস্তাৱ বিৰোধিতা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

ধন্যবাদ।

**Mr. Deputy Speaker :** Now, Mr. Jagmohan Basumatary.

* **শ্ৰীজগমোহন বসুমতাৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ দাবী মঞ্জুৰীৰ ওপৰত কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই মোৰ সমষ্টিৰ কেইটামান ৰাস্তা মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। আমি সকলোৱে স্বীকাৰ কৰিব লাগিব যে যাতায়তৰ ক্ষেত্ৰত কোনো ঠাইতে ৰাস্তা-ঘাটৰ উন্নতি হোৱা নাই। মোৰ সমষ্টিলৈ যাওঁতে পাঠশালাইদি সোমাই যোৱা ৰাস্তাটোৰ অৱস্থা তেনেই শোচনীয়। পাটাছাৰকুছি আৰু ইয়াৰ উত্তৰ অঞ্চলৰ ৰাইজৰ লগত অন্য অঞ্চলৰ ৰাইজৰ যোগাযোগৰ কাৰণে যি ৰাস্তা আছে তাৰ কোনো উন্নতি বিৰূপ হোৱা আমি দেখিবলৈ পোৱা নাই। চৰকাৰৰ মই আগতেও দৃষ্টি গোচৰ কৰাইছিলো কিন্তু উন্নতি বিকাশ কৰিবলৈ চেষ্টাও কৰা নাই। যিকোনো সমষ্টিৰ লগত উন্নতি বিকাশ নহ'লে ৰাইজে কোনো কামতে অগ্ৰসৰ হ'ব নোৱাৰিব। সেইকাৰণে মই আজি সদনৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় আছে যেতিয়া তেখেতকো দৃষ্টি আকৰ্ষণ কৰিছো। মোৰ সমষ্টিটোৰ নাম চাপাগুৰি। ইয়াৰ উত্তৰ অঞ্চলত যিটো ৰাস্তা আছে সেইটো অতি শোচনীয়। মই ক'বলৈ বাধ্য হৈছে যে পাটাছাৰকুছিলৈ যোৱা ৰাস্তাটো বাৰিষা সময়ত পানীত হাঁহ নচৰা অৱস্থা হয়। এতিয়া বাৰিষা আৰম্ভ হ'ব যেতিয়া ৰাস্তাৰ মাজতে দ দ পুখুৰীৰ সৃষ্টি হ'ব। তাত জাপানী কাৱৈ মাছৰ পোনা মেলিব পৰা অৱস্থা হ'ব। ইয়াৰোপৰি কেইটামান বেয়া ৰাস্তা আছে সেই ৰাস্তাকেইটাৰ সংযোগ ব্যৱস্থা কৰিব লাগে

* Speech not corrected

আৰু যোগাযোগৰ ব্যৱস্থা কৰিব লাগে। ৰাস্তাবিলাক আচলতে পি ডব্লিউ ডি-ৰ দায়িত্বত থাকে যেতিয়া এই বিভাগৰ মন্ত্ৰী মহোদয়কো মই এই বিষয়ত দৃষ্টি আকৰ্ষণ কৰিছো। কহাঁৰআলি নামৰ এটা ৰাস্তা আছে। বাৰিষা হ'লে তাত গড়াখহনীয়া হয়। বাৰিষা আহিলে ৰাস্তাৰ ওপৰেদি গাড়ী অহা-যোৱা কৰিব নোৱাৰিব আৰু জনসাধাৰণেও যাতায়ত কৰা সুচল নহ'ব। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত ব্যৱস্থা ল'ব লাগে। বৰম্মাৰ ৰাস্তাটোৰ অৱস্থাও তেনেই শোচনীয়। ৰাস্তাবিলাকৰ কাৰণে যিখিনি ধন দিয়া আছে সেই ধনেৰে ৰাস্তাবিলাক উন্নত কৰিবৰ কাৰণে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। নদীৰ ওপৰত থকা দলংবিলাকৰ অৱস্থাও তেনেই শোচনীয়। তাৰ পিছত পাটাছাৰকুছিৰ পৰা গাঁৱৰ ভিতৰুৱা অঞ্চললৈকে মোৰ সমষ্টিলৈকে যোৱা ৰাস্তাত কেইখনমান দলং আছে, সেইবিলাক মেৰামতি কৰি ভাল কৰিবৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। মাননীয় উপাধ্যক্ষ মহোদয়, সদনৰ মাননীয় সদস্যসকলে মোৰ সমষ্টিটোৰ দুৰৱস্থাৰ বিষয়ে মনোযোগ দি ৰাস্তাৰ কাম কৰিবলৈ অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিলো।

**Mr. Deputy Speaker :** Now, Mr. Sheikh Abdul Hamid.

**শ্বেখ আব্দুল হামিদ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় গড়কাপ্তানী মন্ত্ৰী মহোদয়ে যি দাবী মঞ্জুৰী উত্থাপন কৰিছে তাৰ ওপৰত মই কেইটামান পৰামৰ্শ আগবঢ়াব খুজিছো। ছাৰ, গোটেই অসমৰ ৰাস্তা আৰু দলঙৰ দুৰৱস্থাৰ বিষয়ে আমি সকলোৱে জানো। কথা হৈছে এই গোটেই ৰাস্তা আৰু দলংবোৰ মেৰামতি কৰি গোটেই অসমৰ যোগাযোগ ব্যৱস্থা সুচল কৰিবৰ কাৰণে এ জি পি চৰকাৰৰ বিভাগীয় মন্ত্ৰীৰ দায়িত্ব। মেৰামতি কৰিবৰ কাৰণে যিখিনি টকা চৰকাৰে বিচাৰিছে সেইখিনি টকাৰে গোটেই কাম সম্পূৰ্ণ কৰিব পাৰিনে নাই মোৰ সন্দেহ হৈছে। যোৱা কেইমাহত যিখিনি কাম হ'ব লাগিছিল, আশানুৰূপভাৱে সেইখিনি হোৱা নাই।

উপাধ্যক্ষ মহোদয়, বিভাগত যিখিনি টকা দিয়া হয় গোটেইখিনি কাম হয় নে নাই মোৰ সন্দেহ আছে। ইয়াৰ আগতেও দেখা পাইছিলো প্ৰত্যেক ৰাস্তাই বেয়া, আজি যদিও উন্নত হোৱা নাই কিন্তু যি ধৰণে উন্নত হ'ব লাগিছিল হোৱা নাই। বিশেষকৈ আমাৰেই দুৰ্ভাগ্য নেকি, আমি বৰপেটা জিলাক নেতৃত্ব দিব পৰা নাই। কাৰণ বৰপেটা জিলাৰ প্ৰতি মন্ত্ৰীয়ে দৃষ্টি নিদিয়ে। গড়কাপ্তানী মন্ত্ৰীয়ে অৱহেলা কৰিছে। বৰপেটাৰ পৰা গুৱাহাটীলৈ দৌলাশাল হৈ যিটো ৰাস্তা আছে, সেইটোৰ অৱস্থা একেবাৰে শোচনীয়। বৰপেটাৰ ডিষ্ট্ৰিক্ট হেড কোৱাৰ্টাৰৰ পৰা অহা যোৱা কৰিবলৈ ৰাস্তাৰ অৱস্থা একেবাৰে বেয়া। বাঘবৰ, বৰপেটা ৰাস্তা আজি পঞ্চাশ বছৰে গাড়ী এখনো নচলা হৈছে। মন্দিয়া বজাৰলৈ মানুহ যাব নোৱাৰা হৈছে। বৰপেটা জনিয়া মন্দিয়া ৰাস্তা একেবাৰে বেয়া, মন্দিয়া-ৰৌমাৰী, মন্দিয়া ওৰাং ৰাস্তাৰে মানুহ চলাচল কৰিব নোৱাৰা হৈছে। সেয়ে মই গড়কাপ্তানী মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে এই ৰাস্তাবিলাকৰ কথা চিন্তা কৰি তেখেতে সোনকালে কাম আৰম্ভ কৰি দিয়ে।

উপাধ্যক্ষ মহোদয়, যোৱা এচ, পি, ডি, চি, মিটিঙত তেইশ (২৩) লাখ টকা দিয়া হৈছিল, এই টকা প্ৰত্যেক সমষ্টিৰ বাবে দিয়া হৈছিল। সেই ধৰণে আঁচনি লোৱা হৈছে। কিন্তু কেইদিনমান

আগতে এক্সিকিউটিভ ইঞ্জিনিয়াৰে এখন চিঠি দিছে যে ৰিভাইড কৰিব লাগে। এঁকেশ লাখৰ ঠাইত এঘাৰ লাখৰ আঁচনি ল'ব। এম, এন, পি,ত ধৰিব লাগে। যিবিলাক পুৰণা ৰাস্তা আছে সেই বিলাকেৰে মানুহ যাব নোৱাৰি, গাড়ী চলা দূৰৰেই কথা এখন চাইকেলো যাব নোৱাৰি। গতিকে সেই ৰাস্তা বিলাক মেৰামতি কৰিব লাগে, নতুনকৈ পিচত ৰাস্তা বনাব। মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত এটা স্পষ্ট উত্তৰ দিব লাগে যে পুৰণা ৰাস্তাবিলাক মেৰামতি কৰা হ'ব, এম এন পিৰ নতুন ৰাস্তা সেই টকাৰে নহয়।

উপাধ্যক্ষ মহোদয়, ৰাস্তা-ঘাটৰ মেৰামতিৰ কাৰণে কিছুমান মাষ্টাৰ ৰোলৰ মানুহ ৰখা হয়, কিন্তু তেওঁলোকে দায়িত্ব পালন নকৰে। এটুকুৰা মাটি দি বহি থাকে। এই বিষয়ে প্ৰতিবাৰে বিধান সভাত উল্লেখ হয়। মাষ্টাৰ ৰোলৰ কৰ্মীসকলক পইচা দিয়া হয় যদি ছাৰ্ভিছ ঠিক মতে নহয় কিয়? গতিকে মাষ্টাৰ ৰোলৰ কৰ্মীসকলে যাতে ভাল ধৰণে কাম কৰি ৰাস্তাৰ মেৰামতি কৰি তেওঁলোকৰ ডিউটি দহটাৰ পৰা চাৰিটা বজালৈ, কিন্তু তেওঁলোকে কামত হেমাহি কৰে। তেওঁলোকে যাতে কামত হেমাহি নকৰে তাৰ কাৰণে বিশেষ নজৰ দিব লাগে। এইটো ভালকৈ চাব লাগে যাতে তেওঁলোকে ভালধৰণে কাম কৰে। তেওঁলোকে ৰাস্তাৰ মাটি কাটি ৰাস্তাত দি দিয়ে। মাষ্টাৰ ৰোলৰ কৰ্মীসকলে যাতে ভাল ধৰণে কাম কৰে নজৰ দিয়া উচিত।

উপাধ্যক্ষ মহোদয়, মই কব বিচাৰিছো যিহেতু গড়কাপ্তানী বিভাগৰ পৰ্য্যাপ্ত পৰিমাণৰ টকা আশা কৰিব নোৱাৰি সেয়ে ৰুৰেল ডেভলপমেণ্টৰ লগত আলোচনা কৰি ই, এ, এছ আঁচনিৰ লগতে গড়কাপ্তানীৰ ৰাস্তাখিনিও কেনেদৰে কৰিব পৰা যায় এইটো চাব লাগে।

উপাধ্যক্ষ মহোদয়, শেষত এটা কথা ক'ব লৈ বিচাৰিছো যে বাঘবৰ সমষ্টিৰ ৰাস্তা আজি পঞ্চাশ বছৰেও এটাও পকী হোৱা নাই। ১৯৮৫ চনৰ পৰা ১৯৯০ চনলৈ এবাৰ এক লাখ আৰু এবাৰ ডেৰ লাখ টকাৰ ২৫০ কিলোমিটাৰ পকী কৰা হৈছিল। কিন্তু ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈ বাকী ৰাস্তা নহ'ল। আজি পঞ্চাশ বছৰৰ ভিতৰত মাত্ৰ ২৫০ মিটাৰ ৰাস্তা পকী কৰা হ'ল। মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে মন্দিয়া বজাৰৰ পৰা বক্ষলৈ ডেৰ কিলোমিটাৰমান হ'ব সেইখিনি পকী কৰাৰ ব্যৱস্থা কৰি ১৯৯৭-৯৮ চনতে সম্পূৰ্ণ কৰা হয় তাৰ বাবে অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker :** Now, Mr. Bhupen Roy.

* **শ্ৰীভূপেন ৰয় ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ ওপৰত বিৰোধী পক্ষৰ পৰা যি কৰ্তন প্ৰস্তাৱ আনিছে এই প্ৰস্তাৱৰ মই বিৰোধিতা কৰিছো, বিৰোধিতা কৰিছো এই কাৰণেই যে প্ৰকৃতাৰ্থত সকলোৱেই বিৰোধিতা কৰে। আমাৰ মাননীয় সদস্য শ্বহীদুল ইছলাম ডাঙৰীয়াই কৈছিল যে তেখেতৰ সমষ্টিত ৰাস্তা-ঘাট একেবাৰে বেয়া আৰু আন এটা কথা কৈছিল যে বিভাগত পইচা দিব নেলাগে। দুটা কথা তেখেতে কৈছে।

উপাধ্যক্ষ মহোদয়, মই দুটামান কথা ক'বলৈ বিচাৰিছো, গড়কাপ্তানী বিভাগত যিবিলাক

* Speech not corrected

বিল্ডিং সজাই দিয়ে সেই বিলাকত যথেষ্ট আপত্তি আছে। ডি, চি, অফিচ, চিভিল এচ, ড্রি অ', অফিচ আদিৰ দিজাইন দেখিলেই ধৰিব পাৰি। যিমান ডিজাইন কৰা হৈছে সেই মতে তাত সা-সুবিধা নাই। ভিতৰফালে গোটেইটো ফোপোলা ধৰণৰ হৈছে। যিবিলাক টেকনিচিয়ানে ডিজাইন বনাইছে সেইবিলাক চালেই ধৰিব পাৰি যে সেই ঘৰবিলাকৰ ক্ষেত্ৰত কিছু সালসলনি কৰাৰ দৰকাৰ। সেইবিলাক সালসলনি কৰি কিছু সুবিধা থকা ধৰাৰ কৰা ভাল হ'ব।

মাননীয় উপাধ্যক্ষ মহোদয়, এই যিবিলাক ঘৰ নতুনকৈ সাজিব সেইবিলাক নতুন ডিজাইন কৰি লগতে কোঠালি যাতে বেছি কৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব বুলি আশা ৰাখিলো। আৰু এইখিনিতে এটা কথা ক'ব বিচাৰিছো যে আমি পৰৰ খাদ্যৰ ওপৰত নিৰ্ভৰ কৰি চলিব লগীয়া হৈছে। নিজৰ উপাৰ্জনেৰে আমাৰ ৰাজ্যখনক খোৱা বস্তুৰে জোৰা মাৰিব নোৱাৰি। চাউল, দাইল, আটা, মইদা আদি বাহিৰৰ ৰাজ্যৰ পৰা আহে। এইবিলাক বস্তু বাহিৰৰ পৰা আনিবৰ কাৰণে পথ মাত্ৰ এটাই। ৩১ নং নেচনেল হাইওৱে। আমি দেখিছো এই ৰাস্তাটোৰেদি গুৱাহাটীলৈ আহি থকাই হওক বা গুৱাহাটীৰ পৰা ঘৰলৈ গৈ থকাই হওক ৰাস্তাটো ট্ৰাকৰ পৰা পাৰ হৈ অহাটো সম্ভৱ নহয়। ৰাস্তাটো ইমানেই ভিৰ যে যাত্ৰীবাহী গাড়ীয়েই হওক বা সৰু গাড়ীয়েই হওক চলাচল কৰাটো অসুবিধা হৈ পৰিছে। গতিকে আজি এটা বিকল্প ৰাস্তাৰ অতীৱ প্ৰয়োজন হৈ পৰিছে। এই ৩১ নং পথটোৱেই হৈছে বাহিৰৰ পৰা অহা খাদ্য সামগ্ৰীৰ ৰাস্তা। গতিকে বৰপেটা হাজোৰ হৈ গুৱাহাটীলৈ এটা বিকল্প ৰাস্তা কৰাটো বৰ প্ৰয়োজন বুলি ভাবিছো। এই ক্ষেত্ৰত ১৯৮৫ চনতে যেতিয়া অ. গ. প. চৰকাৰ আছিল তেতিয়াই কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ পঠিয়াইছিল যে খাদ্য বস্তু আমদানী কৰাৰ কাৰণে ৩১ নং পথটোৰ বাহিৰেও এটা বিকল্প ৰাস্তাৰ প্ৰয়োজন। কিন্তু সেইটো কাৰ্য্যকৰী নহ'ল। সেইকাৰণে আজি মই উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে আসাম একৰড অনুসৰি ব'ৰ্ডাৰত যিবিলাক ৰাস্তা কৰা হৈছিল তাত যথেষ্ট পৰিমাণে চিমেণ্ট খৰচ কৰা হৈছিল, সেইটো তদন্ত কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, আৰু এটা কথাৰ ওপৰত মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো যে যিবিলাক অনুষ্ঠান বা ঘৰৰ আধাৰশিলা স্থাপন কৰা হয় সেইবিলাক যাতে দ্বিতীয়বাৰ কৰা নহয় সেইটোৰ ওপৰত লক্ষ্য ৰাখিব লাগে। প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া দেৱে নথ-চাউলমাৰা চিভিল এছ, ডি অ' অফিচটোৰ আধাৰশীলা স্থাপন কৰিছিল। সেই বিল্ডিংটো একোৱেই নহ'লগৈ। আধাৰশীলা স্থাপন কৰা 'নেম-প্লেট' খনতে গৰু চৰোৱা ল'ৰাই অশ্লীল ভাষাৰে লিখে। নৰ্থ চাউলমাৰা চিভিল এছ, ডি, অ' অফিচৰ আধাৰশীলা স্থাপন কৰা নেম প্লেটখনটো অশ্লীল ভাষা লিখা আছে। এই ধৰণৰ যাতে আধাৰশীলাৰ স্থাপনৰ ক্ষেত্ৰত নহয় তাৰ প্ৰতি মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। গতিকে আধাৰশীলা যাতে দুবাৰ নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। আগৰ চৰকাৰৰ দিনত যদি কোনোবা ঠাইত আধাৰশীলা স্থাপন কৰা আছে তেনেহ'লে আমাৰ চৰকাৰে দ্বিতীয়বাৰ আধাৰশীলা স্থাপন কৰিব নেলাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, মই আৰু বিশেষ নকও, মই ধনশিৰি মহকুমালৈ গৈছিলো। তাত দেখিছো যে মেৰাপানী অঞ্চলৰ ব'ৰ্ডাৰ এলেকাত নাগালেণ্ড আৰু অসমৰ নিয়োটেল পষ্ট

তাত কোনো ৰাস্তা-ঘাট নাই। মেৰাপানী বৰ্ডাৰ অঞ্চলত একো ৰাস্তা-ঘাট নাই। মেৰাপানী গোলাঘাট, নাওজান,, চাড়াজান তাত কোনো ৰাস্তা নাই। যাবৰ কাৰণে আজি অসুবিধা হৈছে। গতিকে সেইখিনি অঞ্চলৰ ৰাস্তা-ঘাট উন্নত কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। প্ৰকৃতাৰ্থত যিবিলাক অঞ্চল অতিকৈ পিচপৰা সেইবিলাক অঞ্চলত স্পেচিয়েল কিবা এটা কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আৰু বঙাইগাঁও ভূটানৰ উত্তৰ অঞ্চলত ৰাস্তা-ঘাট একোৱেই নাই। আজি ল' এন অৰ্ডাৰৰ কাৰণে যিমানেই পুলিচ মিলিটেৰী নিদিয়ক কিয় তাত ৰাস্তা-ঘাট নহ'লে তেওঁলোকে যাব কোন ফালেদি। গতিকে এই বিলাক চিন্তা চৰ্চা কৰি ব্যৱস্থা গ্ৰহণ কৰিলে ভাল হয়। অন্যহাতে আজি নেচনেল হাইওৱেৰ যিবিলাক কাঠৰ দলং আছে সেইবিলাক ভালকৈ দিয়াৰ ব্যৱস্থা কৰিব লাগে। কিয়নো সেই দলং বিলাক উগ্ৰপন্থীৰ টাৰগেট। যেইকোনো মুহূৰ্তত তেওঁলোকে ভাঙিব পাৰে। তাৰ প্ৰমাণ হিচাপে ইতিমধ্যে তেওঁলোকে তিনিখন দলং ভাঙিছে। আশা কৰো গড়কাপ্তানী মন্ত্ৰী মহোদয়ে গুৰুত্ব দি কাৰ্য্যক্ৰম কৰাৰ ব্যৱস্থা কৰিব। আমাৰ ৰাজ্যখনত বহুতো ৰাস্তা আছে কিন্তু সেইবিলাক মেৰামতিৰ অভাৱৰ জৰাজীৰ্ণ অৱস্থা হৈছে। মেৰামতিৰ অভাৱত ব্যাঘাত জন্মিছে। পুৰণা ৰাস্তাবিলাক যদি ভালদৰে মেৰামতি কৰিলেহেঁতেন তেতিয়াহ'লে আমাৰ বহুতো কামত আহিলেহেঁতেন। আজি আমাৰ দাবী মঞ্জুৰীত যিখিনি টকা দিছে সেইখিনি যাতে ভাল ভাৱে খৰচ হয় আৰু কিছু বিষয়াক বিশেষভাৱে দায়িত্ব দিয়াৰ কাৰণে অনুৰোধ জনালো। আমি দেখিছো যে এই বিভাগত চিফ ইঞ্জিনিয়াৰবিলাক খুব সঘনে ৰিটায়াৰ হয়। কিবা এটা কামৰ কাৰণে গ'লে আগৰজনক যি কথা কৈছিলো আকৌ নতুনজনক সেইবোৰ কথা পুণৰাবৃত্তি কৰিব লাগে। কিয়নো তেওঁলোক খুব সঘনাই ৰিটায়াৰ হৈ আছে।

শেষত মই যিখিনি পৰামৰ্শ দিছো সেইখিনি যাতে কাৰ্যকৰি কৰে আৰু আমাৰ বঙাইগাঁও, ধনশিৰি, মেৰাপানী, ধেমাজি আদিৰ ঠাইত যিবিলাক ৰাস্তা-ঘাট নাই সেইবিলাক ঠাই যাতে গুৰুত্বসহকাৰে লয় তাৰ প্ৰতি অনুৰোধ ৰাখি মোৰ বক্তব্য সামৰণি মাৰিলো।

**Deputy Speaker :** Now, Shri Alauddin Sarkar. (Mr. Speaker takes his seat)

* **শ্ৰীআলাউদ্দিন সৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয় ৬০ নং দাবী মঞ্জুৰীৰ ওপৰত যিটো কৰ্তন প্ৰস্তাৱ অনা হৈছে মই তাৰ বিৰোধীতা কৰি কিছু বক্তব্য ৰাখিব বিচাৰিছো। আমাৰ দেশে স্বাধীনতা লাভ কৰাৰ ৫০ বছৰ হ'ল যদিও আমাৰ ৰাজ্যখনৰ ৰাস্তা-ঘাটবিলাক প্ৰায় বেয়া হৈ আছে। আমাৰ ৰাজ্যখনত নেচনেল হাইওৱে যিবিলাক আছে সেই নেচনেল হাইওৱেবিলাক বাৰিষা কালত ভাঙি-ছিঙি উৰলি যায়। এই ৰাস্তাবিলাক মেৰামতি কৰাৰ কাৰণে তেতিয়া যিবিলাক টকা চৰকাৰে বৰাদ্দ কৰিছিল সেই টকা ক'লৈ লৈ যোৱা হৈছে ঠিক নাই। ৰাস্তাবিলাক মেৰামতি কৰা হোৱা নাই আৰু বৰ্তমানো কি অৱস্থাত আছে নেজানো। এতিয়া ৰাস্তা বিলাকৰ কিছু উন্নতি সাধন কৰিলেও সেইবিলাক ৰাস্তা মেৰামতি কৰা হৈছে নে নিৰ্মাণ কৰা হৈছে ক'ব নোৱাৰো। কিন্তু বিষয়াসকলৰ লগত আলোচনা কৰোতে জনালে যে মেৰামতি কৰোতে যিমান টকা লাগিব নিৰ্মাণ কৰোতেও সিমান টকাই লাগিব। গুৱাহাটীৰ পৰা পাটাছাৰকুছি হৈ ধুবুৰীলৈ যিটো ৰাস্তা সেই ৰাস্তাটোৰে বৰ্তমান যাব পৰা অৱস্থা হৈছে। কিন্তু বাৰিষা কালত আৰু বৰষুণ আহিলে এই ৰাস্তাটো ভাঙি-চিঙি একাকাৰ হৈ যায়। সেই

* Speech not corrected

কাৰণে যিবিলাক নেচনেল হাইওৱে আছে সেইবিলাক ভাল কৰাৰ কাৰণে দৃষ্টি দিব বুলি মই ভাবো। যোৱা চৰকাৰৰ দিনত ৰাস্তা-ঘাট বিলাকৰ উন্নতি সাধন কৰাৰ কাৰণে সমষ্টি পৰ্য্যায়ত ভাগ কৰি লৈছিল যদিও সেই মতে কাম কৰাৰ কাৰণে একেবাৰে চকু দিয়া হোৱা নাছিল। ধুবুৰী জিলাৰ প্ৰায় বিলাক ৰাস্তা-ঘাট পৰিত্যক্ত অৱস্থাত আছে আৰু সেই ৰাস্তা-ঘাটবিলাকৰ উন্নতি সাধন নোহোৱাৰ কাৰণে যাতায়ত আৰু পৰিবহণ ব্যৱস্থাটো স্তব্ধ হৈ গৈছে। গতিকে আমাৰ চৰকাৰক আঞ্চলিক বৈষম্য দূৰ কৰাৰ কাৰণে চকু দিবলৈ অনুৰোধ জনালো। ধুবুৰী জিলা সংমণ্ডলত যিখিনি ৰাস্তা-ঘাট আছে সেই সম্পৰ্কত আমাৰ মাননীয় সদস্য আলি আকবৰ মিঞাই সকলো কথা প্ৰায় কৈয়েই গৈছে। সেই ক্ষেত্ৰত মই পুনৰ উক্তি কৰিব নোখোজো। মোৰ সমষ্টিৰ গোলকগঞ্জত আন্তৰ্জাতিক আৰু আন্তৰাজ্যিক যি সীমান্ত অঞ্চল আছে সেই সীমান্ত অঞ্চলবিলাকৰ ৰাস্তা-ঘাটৰ কিছু কাম চলি আছে। ইয়াৰ লগত জড়িত যিবিলাক সংযোগ ৰক্ষাকাৰী আৰু মূল বাট আছে সেইবিলাকো আৰম্ভ কৰা হৈছে আৰু বাকী যিখিনি ৰাস্তা-ঘাট বাকী আছে সেইখিনি কৰিব পাৰিলে ভাল হ'ব। এই বিভাগৰ কমিচনাৰ আৰু চেক্ৰেটাৰীৰ লগত আলোচনা কৰোতে আন্তৰাজ্যিক সীমান্ত উন্নয়নৰ ক্ষেত্ৰত যি টকা বৰাদ্দ কৰা হয় তাৰ একো ভু-ভা নাপায় বুলি ক'লে। অৰ্থাৎ কিমান কাম হৈছে আৰু কিমান কাম হ'ব মূল বিভাগে সেইটো নেজানে। যোগাযোগ কৰাৰ কাৰণে যে এখন পত্ৰ পঠিয়াব লাগে তাকো তেওঁলোকে নেজানে। এ এছ এছ, আগমনী ছত্ৰশাল, সোনাহাট আই ৰাস্তাটোৰ কাম কৰাৰ কাৰণে পৰিকল্পনাৰ ধন ধাৰ্য্য কৰা হৈছিল আৰু টেণ্ডাৰো দিয়া হৈ আছিল। কিন্তু ঠিকাদাৰজনে সেই ধন পাব বুলি বাস্তৱায়িত নহৈ কামটো নকৰিলে। মাজত এটা গেপ থাকিলে যাতায়তৰ অসুবিধা হয়। এই কামটো কৰাৰ কাৰণে আমি সকলোৱে মিলি-জুলি আলোচনা কৰিছো আৰু এইবাৰ এই কামটো কৰিব। কোন আঁচনিত কিমান টকা ধাৰ্য কৰা হৈছে বা চৰকাৰে ধাৰ্য্য কৰা টকাৰে কোনবিলাক কাম হ'ব সেই কথাবিলাক সুধিলে মূল বিভাগে নেজানো বুলি কয়। সেই কাৰণেই মূল বিভাগৰ লগত এটা সমন্বয় ৰাখিব লাগে। আন্তৰাজ্যিক সীমান্ত অঞ্চলৰ ৫ টা ৰাস্তা সংক্ৰান্তত মই এটা প্ৰশ্ন এই সদনতেই কৰিছিলো। শালকোচা, ঘুনিনভিটা ৰাণ পৰ্থলৈ, বক্সিৰহাট, নয়াহাট, হালাখুৱা ৰাস্তাৰ ৭ কিলোমিটাৰৰ ভিতৰত ৫/৬ খনমান দলং নাই। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক এই ৰাস্তাৰ দলং বিলাক নিৰ্মাণ কৰি আৰু ৰাস্তা মেৰামতি কৰি যাতায়তৰ সুচল কৰাৰ কাৰণে অনুৰোধ জনালো আৰু এটা কথা মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো সেইটো হ'ল ৩১ নং নেচনেল হাইওৱেৰ ৰতিয়াদহৰ পৰা কানুৰী ডিমাকুৰীলৈ বাটছোৱাৰ কথা। এই বাটছোৱা প্ৰায় ৭ কিলোমিটাৰমান হ'ব। এই বাটছোৱা বি, আ, চি, য়ে কৰিছে নে পথ সংমণ্ডলে কৰিছে। দীৰ্ঘ দিন ধৰি এই পথছোৱাৰ কাম হোৱা নাই। সেই পথছোৱা পকী আৰু তাত আৰ চি, চি, দলং আছিল যদিও বহুদিন ধৰি সেইবিলাক মেইনটেইন কৰা হোৱা নাই। অতি সোনকালে পৰিবহণ আৰু যাতায়তৰ সুবিধাৰ কাৰণে এই পথছোৱাৰ কিছু কাম কৰা উচিত হ'ব বুলি মই ভাবো। মই আমাৰ ৰাজ্যখনৰ যিবিলাক ঘাই ঘাই পথ আছে তাৰ ভিতৰত ডি কে ৰোডৰ কথাটো ক'ব বিচাৰিছো। এই

ৰাস্তাটোৰ ১৬ কিলোমিটাৰমান পথ পকী কৰা হৈছে। কিন্তু যোৱা ৫ বছৰ এই ৰাস্তাটোৰ এক ইঞ্চিও কাম কৰা নাই। এইখিনিতে আন এটা কথা ক'ব বিচাৰিছো যে ধুবুৰী সংমগুলত এখন আৰ, চি, চি, দলং নিৰ্মাণ কৰাৰ কাৰণে প্ৰস্তাৱ দিয়া হৈছিল আৰু টকাও বৰাদ্দ কৰা হৈছিল ফ্ৰেজ ওৱাইজ কৰাৰ কাৰণে। কিন্তু সেই দলংখন কৰা নহ'ল। গতিকে এই কথাটোও চাব লাগে। পাগলাহাটৰ যিটো ৰাস্তা সেইটো সমষ্টি ওৱাইজ বা সমষ্টি পৰ্য্যায়ত কৰিব লাগিছিল যদিও সেইটো পাৰ হৈ গৈছে। শেষত মই আন এটা কথা ক'ব বিচাৰিছো। সেইটো হ'ল ছুগলীয়া ছেকগেটৰ ৰাস্তা। এইটো মোৰ সমষ্টিৰ মাজত পৰে। এই ছুগলীয়া গেটৰ পৰা অসমৰ শেষ সীমান্তলৈ যিখিনি ৰাস্তা প্ৰায় ৩ কিলোমিটাৰমান ৰাস্তাৰ কাম বন্ধ আছে। কিন্তু এই ৰাস্তাটোত ট্ৰাক বা অন্যান্য মটৰ গাড়ীৰ কাৰণে অত্যন্ত ট্ৰেফিক জাম হয় আৰু উদাহৰণ স্বৰূপে তাত দুই তিনিদিন ধৰি ৰাস্তাটো বন্ধ হৈ থাকে। গতিকে সীমান্তৰ সেই তিনি কিলোমিটাৰ ৰাস্তাৰ লগত ৪/৫ কিলোমিটাৰ যি ৰাস্তা আছে সেই ৰাস্তাখিনিৰ কাম কি কাৰণে পৰিত্যক্ত হৈ আছে আৰু কি কাৰণে নকৰিলে? এই যিটো ট্ৰেফীক জাম সেইটো নাইকীয়া কৰিবৰ কাৰণে নেচনেল হাইওৱেৰ সেই পথকেইছোৱা ওখ আৰু বহল কৰিব লাগে আৰু এইটো অতি প্ৰয়োজন হৈ পৰিছে। কিয়নো এই পথ কেইছোৱাত অত্যন্ত ঘনীভূত ভাৱে যান-বাহন আহি থাকে।

অধ্যক্ষ মহোদয়, এই যে যিটো ৰাস্তাত যান-বাহন অতি ঘন আৰু তাত হাজাৰ হাজাৰ ট্ৰাক আহি গোট খাই থাকে, সেইবিলাক ৰাস্তাত কেতিয়াবা ২/৩ দিনলৈ গাড়ী যাম হোৱাত বাট-পথ বন্ধ হৈ যায়, গতিকে সেইবিলাক ৰাস্তা বহল নকৰিলে উপায় নাই, গতিকে এই ক্ষেত্ৰত বিশেষ চকু দিবলৈ মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। তাৰোপৰি যিটো ডি কে ৰোড শ্ৰীৰামপুৰলৈকে গৈছে সেই ৰাস্তাটোৰ অৱস্থা অত্যন্ত শোচনীয়, এই ৰাস্তাটো চলাচলৰ সুবিধা নোহোৱাৰ কাৰণে বহু সময়ত উগ্ৰপন্থীৰ পৰা যিকোনো মুহূৰ্ত বিপদজনক হ'ব পাৰে, গতিকেই এই ৰাস্তাটো অতি সোনকালে মেৰামতি কৰি গাড়ী চলাচলত সুবিধা কৰি দিয়াৰ প্ৰতি চৰকাৰে বিশেষ মনোযোগ দিব বুলি আশা কৰিলো। অৱশ্যে ইয়াত যথেষ্ট টকা-পইচা লাগিব, ওৱৰ্লড বেংকৰ পৰাই হওক বা নাবাৰ্ডৰ পৰাই হওক কিছু ফাণ্ড উলিয়াই এই ৰাস্তাবিলাকৰ মেৰামতিৰ কামত প্ৰয়োগ কৰিব লাগে। বৰপেটাৰ পৰা আৰম্ভ হোৱা ৰাস্তাটোও বিশেষভাৱে চাব লগীয়া। সময় যিহেতু কম, মই দিঘলীয়া নকৰো, এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker :** Now, Hon'ble Member Shri Wazed Ali to speak.

**শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ শিতানত অহা কৰ্তন প্ৰস্তাৱটোৰ সমৰ্থনত দুই মিনিট সময় ক'বলৈ থিয় হৈছো। মই বেচি নকও মোৰ সমষ্টিৰ দুই এটা কথা কৈ শেষ কৰিম। মোৰ সমষ্টিত বৰ্তমান গড়কাপ্তানীৰ চলাচল কৰিব পৰা পথ বা ৰাস্তা এটাও নাই বুলিবই পাৰি। যি দুই এটা ৰাস্তা আছে সেই কেইটাও বন্ধ হৈ আছে। নিদানপুৰৰ পৰা ফকীৰাগঞ্জলৈ এই ৰাস্তাটোৰ নতুনকৈ বনোৱাৰ কাৰণে এম, ই, চিৰ পৰা ১০ কোটি টকা দিয়া হৈছিল আৰু খৰচ

কৰা বুলি গম পোৱা গৈছে কিন্তু আচৰিত কথা সেই ৰাস্তাটোয়ো আজি অচল হৈ আছে। সেয়ে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো যাতে এই বছৰৰ ভিতৰতে এই ৰাস্তাটো ৰিপিয়াৰ কৰাৰ ব্যৱস্থা হাতত লয়। আন এটা অভিযোগ আমি শুনিবলৈ পাইছো সেইটো হ'ল এফ, ডি, আৰ এৰ ফাণ্ডৰ পৰা বহু টকা মোৰ সমষ্টিত ৰাস্তা-ঘাট উন্নয়নৰ কাৰণে দিয়া হৈছিল কিন্তু দুখৰ বিষয় আজিলৈকে তাত অৰ্থাৎ সেই ৰাস্তাত এটাও শিল নপৰিল। যোৱা দুবছৰ ধৰি সেই বাস্তা বিলাকত কোনো ধৰণৰ ৰিপিয়েৰিঙৰ কাম হোৱা নাই, এটা শিলো তাত নপৰিল। আমাৰ এই ডিভিজনত আৰু মোৰ সমষ্টিত এতিয়ালৈকে এফ, ডি, আৰ ফাণ্ডৰ পৰা কোন কোন ৰাস্তাত কিমান টকা আবন্টন দিয়া হৈছিল আৰু কিমান টকা পেমেণ্ট হ'ল সেই বিষয়ে বিভাগৰ পৰা তদন্ত হ'ব লাগে। মোৰ সমষ্টিৰ সংলগ্ন এই ডিভিজনটো একেবাৰে পিচপৰি আছে। আমাৰ ইয়াত থকা পি, ডব্লিউ ডি, ডিভিজনটো এতিয়ালৈ আনিব পৰা নগ'ল। এই চাব ডিভিজনটো হাতশিঙিমাৰীত অতি সোনকালে আৰম্ভ কৰিব লাগে। সময় যিহেতু কম সেয়ে নিদানপুৰৰ পৰা ফকীৰাগঞ্জলৈ যিটো এন, ই, চিৰ ৰাস্তা আছিল সেইটো এই বছৰৰ আৰম্ভণিতে ৰিপেয়াৰ কৰাৰ কাম হাতত ল'ব লাগে আৰু গড়কাপ্তানী ৰোডচ চাব ডিভিজনটো হাতশিঙীমাৰীলৈ আনিব বুলি আশা কৰি মোৰ চমু বক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Now, Hon'ble Member Shri Debakanta Ramchiary to speak for two minutes only.

* **শ্ৰীদেৱকান্ত ৰামচিয়াৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ শিতানত যিটো কৰ্তন প্ৰস্তাৱ আহিছে সেই সম্পৰ্কত মই দুটামান কথা ক'ব বিচাৰিছো। মোৰ সমষ্টি ওদালগুৰিৰ ওচৰত যিটো ৰাস্তা আছে সেই ৰাস্তাটোৰ সম্পৰ্কত বিভিন্ন সংগঠনে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি আছে, তাত যিবিলাক ৰাস্তা আছে তাত গাড়ী চলাচল কৰিব পৰা নাই। ৰাস্তাবিলাকৰ অৱস্থা অত্যন্ত শোচনীয়, সেয়ে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে এই ৰাস্তাবিলাক ৰিপিয়েৰিং কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। আৰু এটা অভিযোগ পাইছো আমাৰ মন্ত্ৰী মহোদয়ৰ গাতে লাগি থকা সিজুবাৰীৰ পৰা এৰাবাৰীলৈ এই ৰাস্তাটোত থকা দলং কেইখন একেবাৰে ভগা অৱস্থাত থকাৰ কাৰণে তাত গাড়ী চলা-চল কৰিব নোৱাৰে আৰু বেলতলাৰ পৰা বেতকুছীলৈ এই ৰাস্তাটোত ৭০ লাখ টকা আবন্টন দিয়া হৈছিল বুলি জানিব পাৰিছো। কিন্তু আজি তাত ৰিপিয়েৰিঙৰ অভাৱত সেই ৰাস্তাত গাড়ী যাব নোৱাৰে। গতিকে এই যি ৰাস্তাটোত যি ৭০ লাখ টকা ধাৰ্য্য কৰা হৈছিল সেইটো অনুসন্ধান কৰি তাক মেৰামতি কৰাৰ কাৰণে গুৰুত্ব দিব লাগে। অকল আমাৰ সমষ্টি বুলিয়েই নহয় আমাৰ ৰাজ্যখনৰ যিবিলাক অঞ্চলত ৰাস্তা-ঘাটৰ অৱস্থা সংকটজনক অৱস্থাত আছে সেইবিলাক অনতিপলমে মেৰামতি কৰাৰ ব্যৱস্থা হাতত ল'ব লাগে। ৰাইজে আমাক এনেকৈ কৈছে যে আমাক একো নালাগে কেৱল আমাৰ ৰাস্তা-ঘাত বিলাক থিকথাক কৰি দিয়ক নহ'লে ৰাইজে জিয়াতু ভুগিব লগীয়া হৈছে। বেয়া হৈ থকা দলংবিলাকো অতি সোনকালে মেৰামতি কৰি চলাচলৰ সুবিধা কৰি দিব লাগে। মই দিঘলীয়া নকৰো এইখিনিকে কৰি দিব বুলি আশা কৰি মোৰ চমু বক্তব্যৰ সামৰণি মাৰিলো।

---

* Speech not corrected

**Mr. Speaker :** Hon'ble Member Shri Abu Bakkar Siddique Jotder.

**শ্ৰীআবু বক্কৰ চিদ্দিকি জোটদাৰ ঃ** माननीय অধ্যক্ষ মহোদয়, আজি সদনত গড়কাপ্তানী বিভাগৰ শিতানত যিটো কৰ্তন প্ৰস্তাৱ আহিছে, ইয়াৰ সমৰ্থনত মই দুটামান কথা ক'ব বিচাৰিছো। ইতিমধ্যে আমাৰ মাননীয় সদস্যসকলে কৈ গৈছে যে ভাৰতবৰ্ষৰ ভিতৰতে আমাৰ অসমৰ ৰাস্তাৰ অৱস্থা আটাইতকৈ বেয়া আৰু অসমৰ ভিতৰত ধুবুৰী জিলাৰ ৰাস্তা আৰু বেয়া। মই ক'ব খুজিছো তাতোকৈ বেয়া গোৱালপাৰা জিলাৰ পশ্চিমাঞ্চলৰ বিভিন্ন অঞ্চলবিলাক আৰু দুৰ্গম অঞ্চলবিলাকত যিবিলাক ৰাস্তা আছে সেইবিলাকৰ অৱস্থা ইমান বেয়া যে প্ৰতিটো ৰাস্তাই ডেৰ ফুটমান দহ, তাত গাড়ী চলাচলৰ দূৰৰ কথা মানুহে খোজ কাঢ়ি যোৱাটোও অতি কষ্টকৰ। গতিকে এই অঞ্চলৰ ৰাস্তাবিলাকৰ দুৰৱস্থালৈ চাই ইয়াৰ ওপৰত বিশেষ গুৰুত্ব দিব বুলি আশা কৰিলো।

গতিকে উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰো যে মোৰ সমষ্টিৰ ৰাস্তাটো ভাল কৰি দিয়াৰ বাবে অতি সোনকালে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। পি, ডব্লিউ, ডিৰ যিজন বিষয়া (ৰোড)ৰ আছে তেওঁৰ বিৰুদ্ধে বহুতো অভিযোগ আছে। ৰাস্তা বা দলং যিবিলাক ভাঙি আছে সেইবিলাক ভাল কৰাৰ কথা ক'লে তেওঁ মোক কয় ঠিকাদাৰ দিয়ক, অৰ্ডাৰ কৰি দিম। কাম কৰাই লওক। ঠিকাদাৰক ক'লে ক'ব টকাটো কোনে দিব আপুনি দিব নেকি? কাম কৰিবলৈ আজি ঠিকাদাৰ নাই। বিভিন্ন সন্থাৰ ঠিকাদাৰসকলে কাম নকৰিবলৈ সিদ্ধান্ত লৈছে। তেওঁলোকে কাম নকৰে। প্ৰায় এক হাজাৰ কোটি টকা বিভিন্ন বিভাগৰ ঠিকাদাৰসকলে এতিয়াও পাবলগীয়া আছে। কেৱল আগৰ চৰকাৰৰ দিনতেই নহয় আপোনাৰ দিনতো আছিল আৰু আছে গতিকে ব্যৱস্থা আপোনালোকে লওক। ইতিমধ্যে চাউথ শালমাৰাৰ বিধায়কে কৈছে যে গোৱালপাৰাৰ এফ, ডি, আৰৰ নামত যিটো এল অ' চিৰ টকা দিয়া হৈছে সেইটো ড্ৰ কৰা হৈছে আৰু এই টকা বিতৰণত সংমগুলত দুৰ্নীতি চলি আছে। এই বিষয়ত তদন্ত কৰিব লাগে। এই বিষয়াজনৰ বহুতো দুৰ্নীতি আছে। আগতে এই বিষয়াজনক লাগিভাগি তাৰ পৰা ট্ৰেন্সফাৰ কৰা হৈছিল। কিন্তু এই চৰকাৰ অহাৰ পাচত আকৌ তাকেই তাত দিয়া হৈছে। কেৱল দুৰ্নীতিৰ কাৰণেই তেওঁৰ এগেইনষ্টত কেইটামান তদন্ত চলি আছে কিন্তু তথাপি তাক তাতেই আকৌ দিয়া হৈছে। এই বিষয়ত ব্যৱস্থা ল'বলৈ মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। মাৰ্চ মাহত যিখিনি এল অ' চিৰ টকা দিয়া হৈছিল সইখিনি কেৱল তেওঁৰ নিজৰ ঠিকাদাৰ কেইজনৰ নিজৰ মানুহ হিচাপেহে তেওঁক পেমেণ্ট কৰে। কিন্তু আন কাকো পেমেণ্ট নকৰিলে। তাৰ পাচত original need ৰ টকা এছ এত পেমেণ্ট কৰি দিলে য'ত কোনো কাম হোৱা নাই। এনে এখন হেণ্ড শ্লীপ আহি মোৰ হাতত পৰিছে যিটো একেবাৰে নিয়ম বহিৰ্ভূত। গতিকে এই বিষয়ে তদন্ত কৰিব লাগে। আজি যিটো মঞ্জুৰী বা টকা বিচৰা হৈছে মই ক'ব খোজো যে তাৰ যদি তিনি গুণ টকাও দিয়া হয় তেন্তে মোৰ ধাৰণা কোনো কাম নহ'ব। আমাৰ যিবিলাক ৰাস্তা-ঘাট কৰিব লাগে সেইবিলাক কৰা নাই আৰু সকলো ৰাস্তাই বেয়া অৱস্থাত আছে। দলং বিলাক দুৰ্বল। এতিয়া কথা হ'ল ১০ চকীয়া ট্ৰাকো আমাৰ ৰাস্তাত চলে। যিখন

ট্ৰাক যিমান লোড ল'ব লাগে তাৰ ডাবল লোড লৈ সেই ট্ৰাক ৰাস্তা, দলঙৰ ওপৰেৰে চলে। যিটো লোড ৰাস্তা বা দলঙে সহ্য কৰিব নোৱাৰে। বা বহন কৰিব নোৱাৰে। সেই কাৰণেই ৰাস্তাবিলাক সোনকালে বেয়া হৈ যায় আৰু দলং বিলাক ভাঙি যায়। তাৰোপৰি এই ট্ৰাকবিলাকে কৰ ফাকি দি আছে। দুখন ট্ৰাকৰ বস্তু যদি এখন ট্ৰাকতেই অনা হয় তেন্তে দুখন ট্ৰাকৰ কৰ আদায়ৰ ঠাইত এখন ট্ৰাকৰ কৰহে আদায় হয়। তেনেকৈয়ে কৰৰ ক্ষেত্ৰত চৰকাৰক ফাকি দি আছে। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ চাৰফেচ ট্ৰেন্সপোৰ্ট ডিপাৰ্টমেণ্ট ৭ খন ৰাজ্যলৈ চিঠি পত্ৰ দিছে আমাৰ অসমলৈকো দিছে। এইটো বন্ধ কৰিব নোৱাৰিলে তিনি গুণ টকা দিলেও কোনো কামত নাহিব। ৰাস্তা পথ দলং সকলো নষ্ট হ'ব। ইয়াৰ উপৰিও মই আৰু এটা কথা ক'ব খুজিছো যে উপনিৰ্বাচনৰ সময়ত নাজিৰালৈ গৈছিলো। আমাৰ শৰৎ বৰকটকীদেৱ পি, ডব্লিউ, ডিৰ মন্ত্ৰী আছিল। তাৰ সমষ্টিত গৈছিলো ৰাস্তা-ঘাটবোৰ চাবলৈ। কিন্তু সকলোৰে অৱস্থা একেই। মই দিল্লী ঘাটলৈ গৈছিলো। দিল্লীঘাটৰ যিখন দলং আছিল সেইখনৰ বিষয়ে মই বিধায়ক হিচাপে যোৱা কাৰণে তাৰ ৰাইজে মোক কৈছিল যে মই যাতে মন্ত্ৰী মহোদয়ক কওঁ। সেই দলংখন তেতিয়া বেলিব্ৰীজ বনাই থোৱা আছিল। সেই দলংখন আৰ, চি, চি, ব্ৰীজ কৰাৰ কাৰণে ৰাইজে অনুৰোধ কৰিছিল। এই ক্ষেত্ৰত মই বৰ্তমানৰ মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। এইখিনি কৈয়েই মই কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker :** Last, Speaker for two minutes Shri Rameswar Dhanowar.

* **শ্ৰীআলী আকবৰ মিঞা** ঃ মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্য বিভাগটো এটা অতি গুৰুত্বপূৰ্ণ বিভাগ। মানুহ জীয়াই যদি নাথাকে তেন্তে এই বিভাগটোৰ কি প্ৰয়োজন? মানুহ জীয়াই থাকিবলৈ হলে এই বিভাগটোৰ প্ৰয়োজন হয়। আজি আমাৰ চৰকাৰ অহাৰ পিছত কিছুমান নীতি লৈছে এই বিভাগৰ ক্ষেত্ৰত। যেনে ডাক্তৰ সকল নিজৰ নিজৰ অৰিজিনেল পোষ্টিংৰ ঠাইত গৈ কাম কৰিব লাগিব। এনেকুৱা এটা ব্যৱস্থা কৰিছে। আজি অতি দুখৰ কথা 'ইভেন' গাওঁ অঞ্চলৰ ডাক্তৰ সকলো পাছ কৰি অহাৰ পিচত গাওঁ অঞ্চলত গৈ কাম কৰিব নিবিচাৰে। সকলো টাউনমুখী হয়। সিদিনা স্বাস্থ্য মন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰোঁতে এটা কথা ওলাইছিল যে ৭৮ জন ডাক্তৰ অকল গুৱাহাটীতে এটাচ হৈ আছে। অৰিজিনেল পোষ্টিং কিন্তু শিলচৰ বা ধুবুৰী আদিত এনে কিছুমান ঠাইত ডাক্তৰ আছে কিন্তু গুৱাহাটীতে কাম কৰি বেতন লৈ আছে। অকল সেয়াই নহয় বেতনটো লৈছেই আকৌ ব্যক্তিগত ব্যৱসায়তো মজি আছে। গতিকে মই চৰকাৰক অনুৰোধ কৰিছোঁ যে এই ক্ষেত্ৰত এটা ষ্ট্ৰিক্ট ব্যৱস্থা কৰিব নোৱাৰিলে নহ'ব। ডাক্তৰ বিলাকে নিজৰ দায়িত্ব নিজে পালন কৰিব লাগিব। বাহিৰা কাম বা ব্যৱসায় যাতে কৰিব নোৱাৰে। নহ'লে তেওঁলোকে যি সকলে নিজা ব্যৱসায় কৰিব বিচাৰে তেওঁলোকে চৰকাৰৰ লগত চুক্তি কৰি চাকৰিৰ পৰা ওলাই আহক। আমাৰ ধুবুৰী জিলাৰ গাওঁ অঞ্চল বিলাকত বিশেষকৈ চৰ অঞ্চল বিলাকত এদিন/ডেৰদিন লাগে মানুহ নাৱেৰে আনি চিভিল হস্পিটাল পাবলৈ বা বিলাসীপাৰা স্বাস্থ্য কেন্দ্ৰ পাবলৈ। আকৌ কেতিয়াবা এনেকুৱাও হয় যে আহি দেখে তাত ডাক্তৰ নাই। ঘৰত আছে। কাৰণ আঠ ঘণ্টাৰ বেছি ডিউটী নকৰে। কিন্তু তেওঁক ঘৰত গৈ ২০ টকা দিলেই শ্লিপ লিখি দিয়ে। ডাক্তৰ সকলৰ এই মানসিকতা গুৰুত্বসহকাৰে লৈ এই ক্ষেত্ৰত এটা নীতি নিৰ্দ্ধাৰণ কৰি দিয়াৰ ব্যৱস্থা লবলৈ মই স্বাস্থ্য মন্ত্ৰী মহোদয়ক অনুৰোধ জনালোঁ। আজি ধুবুৰী জিলাত যি বিলাক স্বাস্থ্য কেন্দ্ৰ আছে সেই বিলাক চালে দেখা যায় যে তাত ৰেকৰ্ডত ডাক্তৰো আছে, নাৰ্ছো আছে কিন্তু কামত নাই। আকৌ প্ৰতি মাহে যি ঔষধ তাত যোগান দিব লাগে সেই ঔষধো নাই। অন্ততঃ ১৫ দিনৰ কাৰণে ও যদি ঔষধ দিলেহেঁতেন তেতিয়াওঁ মানুহে বহুতো ৰিলিফ্ পালেহেতেন। এই বিষয়ে মই বহুবাৰ জইণ্ট ডাইৰেক্টৰক কৈছোঁ কিন্তু একো লাভ হোৱা নাই। মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছোঁ তেখেতে এই বিভাগটোৰ বিষয়ে ভালদৰে

চালিজাৰি চাই এই কথাবোৰৰ ক্ষেত্ৰত ব্যৱস্থা লব। বগৰীবাৰীকে আদি কৰি তিনিখন ঠাইত ১৯৮৪ চনতে পি-এইচ-চি স্থাপনৰ কাৰণে বিভাগীয় ভাবে ভিজিট আদি কৰি ফিজিবিলাট ৰিপৰ্ট চাবমিট কৰিছে। আগৰ চৰকাৰে কি কৰিছে নকৰিছে মই নকওঁ বা সমালোচনাও নকৰোঁ। কিন্তু মই বিধায়ক হৈ অহাৰ পিচত বিভাগীয় মন্ত্ৰী মহোদয়ক কেইবা বাৰো অনুৰোধ কৰিছো কম চেকম চৰ অঞ্চল সমূহত কিবা এটা ব্যৱস্থা নকৰিলে মানুহ ধুবুৰী হস্পিটেললৈ আনোতে আনোতে বাটতে মৰি যাব। গতিকে বগৰীবাৰী আদি কৰি এই দুটামান ঠাইত স্পেচিয়েল ব্যৱস্থা গ্ৰহণ কৰি হলেও পি-এইচ-ছি দিয়াৰ গুহাৰী দিয়াৰ ব্যৱস্থা কৰিব লাগে। আগৰ চৰকাৰৰ দিনৰে পৰা থকা এই বিভাগীয় কৰ্ম্মচাৰী সকলৰ কামত এটা ধাৰাবাহিকতা আহি পৰিছে। তেওঁলোকৰ হেমাহিৰ কাৰণেই হবলগীয়া কামবোৰো হৈ নুঠে। মন্ত্ৰী মহোদয়ে কি কৰিব, তেখেতে সকলো কথা ব্যক্তিগত ভাৱে জনাৰ উপায় নাই। বিভাগীয় ভাৱে তেখেতক জনাব লাগিব। কিন্তু বিভাগে এইদৰে কাম নকৰে। অতি দুখৰ কথা এইবছৰো আকৌ বগৰীবাৰীৰ নামেৰে আলগা পি, এইচ, ছি,ৰ কাৰণে ফিজিবিলিটী ৰিপোৰ্ট বিচাৰিছে। এই ৰিৰ্পটো ১৯৮৪ চনতেই দিয়া আছেই। এইদৰে আমাৰ কিছুমান চৰকাৰী কৰ্ম্মচাৰী আছে যি সকলে আমাৰ চৰকাৰটোক শলঠেকত পেলাবৰ কাৰণে এই ধৰণৰ কামবোৰ কৰি আছে, যাতে চৰকাৰৰ বদনাম হয়। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছোঁ যে এইদৰে এই বিভাগত ফহিল নোচোৱাকৈ যিসকল বিষয়াই এনে কাম কৰি আছে, তেওঁলোকৰ ওপৰত অলপ কঠোৰ ব্যৱস্থা লব লাগে। নহলে এই বিভাগত ঠিকমতে কেতিয়াওঁ কাম নহয়। এই বিভাগটোত মানুহৰ জীৱন মৰণৰ সমস্যা নিহিত হৈ আছে। গতিকে এইবোৰ ক্ষেত্ৰত বিভাগীয় মন্ত্ৰী মহোদয়ে যাতে অলপ নজৰ দিয়ে তাৰ কাৰণে অনুৰোধ জনাইছোঁ।

মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী জিলাৰ চিভিল হস্পিতালখনৰ অৱস্থা অতি দুখ লগা হৈছে। আগৰ চৰকাৰৰ দিনত ডাক্তৰ নছিল আৰু এই চৰকাৰৰ দিনতো ডাক্তৰ নাই। গতিকে এইবিলাক কোৱা নিস্প্ৰয়োজন। ৰোগী চোৱা চিতা কৰিবৰ কাৰণে যি যি সামগ্ৰীৰ প্ৰয়োজন সেইবিলাকো তাত নাই। সেইকাৰণে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো ধুবুৰী চিভিল হস্পিতালত সময়মতে ডাক্তৰ পোৱাৰ ব্যৱস্থা কৰি দিব লাগে। এবাৰ সেই হস্পিতালখনলৈ যাওঁতে তাত ইমান দুৰ্গন্ধ পাইছো যে ভিতৰত সোমাবকে নোৱাৰি। দুগৰ্ন্ধৰ কোবত পিটৰ ভিতৰত কিবা থাকিলে উলাই আহে। উদ্ধতম কতৃপক্ষক এই বিষয়ে ৰিপোৰ্ট কৰা হৈছে কিন্তু ডাক্তৰ ক'ত? তেওঁলোক আগৰ পৰাই ধাৰাবাহিকভাৱে চলি আহিছে। ডাক্তৰ সকলে নিজৰ নিজৰ ব্যৱসায়ত লাগি গৈছে। ৰোগী পৰীক্ষা কৰা ঔষধ আদি দিয়া কামত ডাক্তৰ দিয়া নাই। কিন্তু তেওঁলোকে যেতিয়া প্ৰাইভেট হিচাবে ৰোগী চায় তেতিয়া এক্সৰে কৰা মেচিন আদিও পায়। কিন্তু চৰকাৰী হস্পিতালত সেইবোৰ একো পোৱা নাযায়। ২০০ বা ৩০০ টকা খৰছ কৰিলে কেবিন পায়। এনেকুৱা ফাগুৰ টকা হাতত সোমোৱাই নথৈ কামত খটালে নিশ্চয়ই বেয়া নহয়। চিভিল হস্পিতালৰ মেচিনবিলাক ভাল নহয়। বেয়া হৈ আছে। অথচ ৭০০ বা ৮০০ টকা ডাক্তৰক দিলে ৰোগী ঘৰলৈ ঘুৰি যাব নালাগে। ডাক্তৰে পইচাকেইটা লৈ ঘৰতে চাই দিয়ে। পঞ্চায়ত বিভাগৰ মন্ত্ৰীয়ে ডি,আৰডি,এ,ৰ পৰা তিনি লাখ টকা দি ধুবুৰীৰ চিভিল হাস্পতালখন ৰং কৰাই দিলে অথচ ৰেল ডেভলপমেণ্টৰ বকা গাওঁ অঞ্চলত বঞ্চিত কৰি টাউনত খৰছ কৰিব নোৱাৰে। তথাপিও মন্ত্ৰীক জোৰ কৰি আমি উক্ত টকা খৰচ কৰালো কাৰণ তাত গাওঁ অঞ্চলৰ ৰোগী বেছি। গতিকে অধ্যক্ষ মহোদয়ৰ

জৰিয়তে স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে নামনি অসমত থকা ধুবুৰী চিভিল হস্পিতালখনৰ প্ৰতি গুৰুত্ব দিব লাগে আৰু পৰীক্ষা-নিৰীক্ষা কৰি ইয়াৰ উন্নতিৰ কাৰণে কিবা এটা ব্যৱস্থা কৰিব লাগে।

অধ্যক্ষ মহোদয়, ডাক্তৰ সকলৰ ওপৰিও নাৰ্চসকলৰ দায়িত্ব হ'ল ৰোগী সেৱা কৰা। কিন্তু তাত (ধুবুৰী) এনেকুৱা অৱস্থা হৈছে ঘৰত গৰ্ভপাত কৰোৱা কামতহে নাৰ্চসকল ব্যস্ত হোৱা দেখা যায়। যিবিলাকে অবৈধভাৱে গৰ্ভধাৰণ কৰে তেওঁলোকৰ পৰা বেছি পইচা লৈ গৰ্ভপাত কৰোৱাত ব্যস্ত হয় নাৰ্চসকলে। ধুবুৰী জিলাত এনেকুৱা অবৈধ গৰ্ভপাত বহুত হৈছে। এইটো পথা আগৰ চৰকাৰৰ দিনৰ পৰাই চলি আহিছে। বিলাসীপাৰা হস্পিতালৰ যি গৰাকী নাৰ্চে এই কামটো কৰিছে তেওঁক ট্ৰেন্সফাৰ কৰা হৈছিল। সেই গৰাকীয়ে মন্ত্ৰীৰ ওচৰলৈ আহি মন্ত্ৰী মহোদয়ৰ ভৰিত ধৰিলেহে। Stay হৈ গ'ল। মই আচলতে প্ৰেকটিকেল কথাবিলাকহে কওঁ, কাৰো বিৰুদ্ধে নকওঁ। নাৰ্চসকলৰ কাম হৈছে ৰোগীক সেৱা আৰু শুশ্ৰূষা কৰা। গতিকে অবৈধভাৱে যাতে ট্ৰেনিং আদি নোলোৱাকৈ গৰ্ভপাত কৰিব নোৱাৰে তাৰ বাবে ব্যৱস্থা লব লাগে। কাৰণ এনে অবৈধ কাৰ্য্য কৰাৰ ফলত অলপতে বিলাসীপাৰাত এজনী ছোৱালীৰ মৃত্যু হৈছে। বিষয়টোৰ ওপৰত ব্যৱস্থা লব লাগে। এইখিনিকে কৈ কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**শ্ৰীদেৰহাগ্ৰা মুছাহাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় স্বাস্থ্য বিভাগৰ কৰ্ত্তন প্ৰস্তাৱ বিৰোধীতা কৰি মই দুআষাৰ মান কবলৈ উলাইছো। আজি স্বাস্থ্য বিভাগৰ কৰ্ম্ম কৰ্ত্তা সকলৰ বিষয়ে কৈ লাভ নাই। ডাক্তৰ সকলক য'ত কাম কৰিবলৈ দিয়া হয় সেই ঠাইলৈ বহুত ডাক্তৰে যাবলৈ ইচ্ছা নকৰে। যাৰ ফলত স্বাস্থ্য কেন্দ্ৰ কিছুমান মৰিশালীত পৰিণত হৈছে। অতি ভিতৰুৱা অঞ্চল বিলাকত স্বাস্থ্য কেন্দ্ৰ পাতিলে একো লাভ নাই। বহুত ঠাইত চাব-চেণ্টাৰ আছে তাত নাৰ্চ নাই। ভেচিমেচন আদি দিবৰ কাৰণে তাত নাৰ্চ থাকিব লাগে। কিন্তু নাৰ্চ আদি নথকাৰ কাৰণে এই কামবিলাক কাৰ্য্যকৰী হোৱা নাই। আৰু কিছুমান স্বাস্থ্য কেন্দ্ৰ আছে য'ত ডাক্তৰ আছে কিন্তু ৰেগুলাৰলি হস্পিতালত ডিউটি দিব লাগে সেইধৰণে নিদিয়ে। অলপ আগতে আলি আকবৰ ডাঙৰীয়াই তেখেতৰ বক্তব্যক কৈ গৈছে যে নিজৰ মুনাফাৰ কাৰণেহে ব্যস্ত হৈ থকা দেখা যায়। মোৰ সমষ্টিত ৩০ খন বিচনা যুক্ত হস্পিতাল এখন আছে তামোলপুৰত। মাননীয় মন্ত্ৰী মহোদয়ে নিজে পৰিদৰ্শন কৰি হাস্পতালখন জৰাজীৰ্ণ অৱস্থাত দেখিবলৈ পাইছে। তাত ৰোগী পৰীক্ষা কৰাৰ কোনো ব্যৱস্থা নাই, চকীদাৰ নাই, পানীৰ ব্যৱস্থা নাই, লাইট নাই, বেমাৰী শুবৰ কাৰণে বিচনাৰ লোহা কেইডালহে আছে, কাপোৰ নাই, আঠুৱা নাই। একো নাই বুলি কলেও বেয়া নহয়। অসমৰ সকলোৱে জানে যে তামোলপুৰ অঞ্চল মেলেৰীয়া অধ্যুষিত অঞ্চল।

অধ্যক্ষ মহোদয়, তামোলপুৰৰ নিচিনা মেলেৰিয়াৰ ঠাইক অৱহেলা কৰা হৈছে। ৰাজ্য চৰকাৰে স্বাস্থ্য কেনেকৈ ভাল কৰিব পৰা যায় সেইটো চাব লাগে। কচুকাটা নামে এখন চাব চেণ্টাৰ আছে, তাত ভাৰতৰ নাৰ্চ কোনো নেযায়, ষ্টাফ দিয়া আছে নেযায়। তাৰ পৰিবৰ্ত্তে আন এটা জাগাত কাম কৰি আছে। চাব চেন্টাৰত যাক নিয়োগ কৰা হৈছে আহিব লাগে, এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ৰ নিৰ্দ্দেশ দিয়া আছে। কিন্তু আজিলৈকে কাৰ্য্যত পৰিণত নহল।

অধ্যক্ষ মহোদয়, হেল্থ চাব চেণ্টাৰত কিছুমান হেল্থ গাইড থাকে। তেওঁলোকক মাহে মাত্ৰ

পঞ্চাশ টকা দিয়ে। তেওঁলোকৰ ক্ষেত্ৰত কোৱা হৈছে যে কেন্দ্ৰীয় চৰকাৰৰ পৰা নিযুক্তি দিয়া হয়, এইটো কেন্দ্ৰীয় চৰকাৰে কেনেকুৱা ধৰণৰ আঁচনি লৈছে। এজন পুৰুষ বা মহিলাই মাত্ৰ পঞ্চাশ টকা দৰমহা লৈ চাকৰি কৰিব পাৰে নেকি। এই ক্ষেত্ৰত অসম চৰকাৰে বিবেচনা কৰিব পাৰে নেকি যে তেওঁলোকক উপযুক্ত বেতন দিয়াৰ ব্যৱস্থা কৰিব। তেওঁলোক চাকৰিয়াল হিচাবে নহয় ভিক্ষাৰী হিচাবে দিনৰ দিনটো বহি থাকিবলগীয়া হৈছে। আজিকালি দিনে হাজিৰা প্ৰায় একশ টকা হৈছে। এনে ক্ষেত্ৰত এই বিষয়টো চৰকাৰে বিচাৰ কৰি চাব লাগে। যদিও কেন্দ্ৰীয় চৰকাৰে নিযুক্তি দিছে, কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি ৰেক্টিফাই কৰিব লাগে। উচিত দৰমহা দি কাম কৰাওক। হেল্‌থ গাইড সকলে হেল্‌থ চেণ্টাৰলৈ দহ বাৰ কিলোমিটাৰ দূৰৰ পৰা আহি তাত বহি চাহ খাবলৈ পইচা নাপায়। তেওঁলোক বাছেৰে অহা যোৱা কৰে আৰু ইপিনে ঘৰত গিৰিয়েক হঁতৰ গালি খাবলগীয়া হয়। গতিকে ইয়াৰ ওপৰত সোনকালে বিহিত ব্যৱস্থা লব লাগে।

অধ্যক্ষ মহোদয়, মেলেৰিয়া অধ্যুষিত অঞ্চলত ডি,ডি,টি, দিয়া কাম আৰম্ভ কৰিব লাগে। এইটো সুস্বাস্থ্যৰ ক্ষেত্ৰত বেছি গুৰুত্ব দিয়া দৰ্কাৰ। নলবাৰীৰ ডি,চি,চাহাব মেলেৰিয়া অধ্যুষিত অঞ্চল তামোলপুৰলৈ ভূটানৰ সীমান্তবৰ্ত্তী অঞ্চললৈ যাওঁতে ভূটানৰ মানুহে কয় আপোনালোকে ইমান মহ পুহিছে, ভূটানত মহৰ নাম গোন্ধই নাই। এইবিলাক চৰকাৰে গুৰুত্ব সহকাৰে চাবলাগে। এইটো গাৱলীয়া মানুহৰ কাৰণে বেছি দৰ্কাৰ। খেতিয়ক সকল যদি মেলেৰিয়াত ভুগি থাকে কেনেকৈ খেতি কৰিব। যদি তেওঁলোকক খেতি কৰিবলৈ স্বাস্থ্য ভালে ৰখা নহয় তেতিয়া হলে আমি সকলোৱে মৰিব লাগিব। চহৰ অঞ্চলত হস্পিতেল আছে, তাত সকলোৱে কাম কৰিবলৈ বিচাৰে। ইয়াৰোপৰি নাৰ্চিংহোম বিলাক আছে। গতিকে বেমাৰ কম হয়। অৰ্থনৈতিক ভাবে যি ধনী তেওঁলোকে নাৰ্চিং হোম খুলিছে, এনেকুৱা নাৰ্চিং হোম গুৱাহাটী, ডিব্ৰুগড় চহৰত বেছি খুলিছে। যদি প্ৰকৃতাৰ্থত তেওঁলোকে স্বাস্থ্য ৰক্ষাৰ কাৰণে গুৰুত্ব দিছে গাৱত তেনেকুৱা নাৰ্চিং হোম খোলক। সেই কাৰণ মই অধ্যক্ষ ডাঙৰীয়াৰ জৰিয়তে মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিবলৈ বিচাৰিছো যে এই ক্ষেত্ৰত গাৱৰ মানুহৰ ওপৰত গুৰুত্ব দিব লাগে। আমাৰ খেতিয়ক ভাই সকলৰ ওপৰত গুৰুত্ব দিব লাগে। তেতিয়া হলে আমি সকলোৱে সুস্বাস্থ্যৰ অধিকাৰী হবলৈ পাৰিম।

অধ্যক্ষ মহোদয়, আজি কেবিনেট পৰ্য্যায়ৰ মন্ত্ৰী মহোদয় নাই, ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী মহোদয় উপস্থিত আছে। তেখেতক মই অনুৰোধ কৰো যাতে তেখেত এই বিষয়ত বেছি গুৰুত্ব দিয়ে, এইখিনি কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker :** Hon'ble Member Smti Sushila Hazarika to speak please.

* **শ্ৰীমতী সুশীলা হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্য বিভাগৰ কাৰণে স্বাস্থ্য মন্ত্ৰী মহোদয়ক যি দাবী মঞ্জুৰীৰ প্ৰস্তাৱ উৎথাপন কৰা হৈছে তাক মই পূৰ্ণ সমৰ্থন জনাইছো আৰু বিৰোধী পক্ষৰ পৰা যি কৰ্ত্তন প্ৰস্তাৱ আগবঢ়াইছে তাক সময় সম্পূৰ্ণ বিৰোধীতা কৰিছো। বিৰোধী সদস্যই যিখিনি সমস্যাৰ কথা আজি এই সদনত অবগত কৰিছে সেই সমস্যা সমূহ আমাৰ চৰকাৰে শাসনলৈ অহাৰ পিচৰ পৰাই সমস্যা সমূহ সমাধান হোৱা দেখিবলৈ পাইছো। যিহেতু আমি যোৱা পাঁচ বছৰে চিকিৎসা সমূহলৈ গৈ দেখিছো যে

* Speech not corrected

প্ৰেচক্ৰিপচন এখন লিখিবলৈও এটুকুৰা কাগজ নাই। কাগজৰ অভাব, দৰবৰটো কথাই নাই। আমাৰ চৰকাৰ অহাৰ পিচৰপৰা সেইবিলাক অন্তত দেখা পোৱা নাই।

অধ্যক্ষ মহোদয়, এই স্বাস্থ্য বিভাগটো এটা গুৰুত্বপূৰ্ণ বিভাগ। যি বিভাগত আমাৰ জীৱন মৰণ সমস্যা জড়িত হৈ আছে। এই ক্ষেত্ৰত আমাৰ মাননীয় সদস্যসকলে বিভিন্ন বক্তব্য ৰাখিছে। সেই কাৰণে মই এই বিষয়ে বিশেষ বক্তব্য ৰাখিবলৈ বিচৰা নাই। মই মাত্ৰ কেইটামান কথা কবলৈ বিচাৰিছো। দেৰগাওঁ সমষ্টিৰ গোলাঘাট আৰু যোৰহাট দুখন জিলাত পৰে। কিন্তু এই সমষ্টিটো বৰ বেক্‌ওৱাৰ্ড সমষ্টি হৈ আছে, যিটো সমষ্টিত বহুত খিনি জনজাতিয় লোক বাস কৰে। সেইটো জনজাতি অধ্যুষিত অঞ্চল। এই অঞ্চলত চিকিৎসাৰ অভাৱত এগৰাকী গৰ্ভৱতী মহিলাই প্ৰসৱ যন্ত্ৰণাত ভুগিবলগা হয়। তাত ৰাস্তা ঘাটো অতি বেয়া, যদি কেতিয়াবা ৰোগী চিকিৎসাৰ বাবে আনিব লগা হয়, তেতিয়া হলে যোৰহাট বা গোলাঘাট চহৰলৈ আনিব লগা হয়। এই ক্ষেত্ৰত অনন্ত চৰকাৰক চকু দিবলৈ মই অনুৰোধ কৰিছো। মোৰ সমষ্টিত এখন হস্পিতেল আছে, ইয়াৰ বাবে যোৱা চৰকাৰৰ দিনতে প্ৰস্তাৱ কৰা হৈছিল।

আনহাতে ডেৰগাৱঁৰ সমষ্টিত ৩০ খন বিচনাযুক্ত হস্পিতাল আছে। সেইখন যোৱা অঃগঃপঃ চৰকাৰৰ দিনতে প্ৰতিষ্ঠা কৰিছিল। কিন্তু এতিয়া সেই হস্পিতালখন ৩০ খন বিচনাযুক্ত হস্পিতাল বুলিও কব নোৱাৰি। প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ বুলিও কব নোৱাৰি। সেইকাৰণে এই ক্ষেত্ৰত অনুসন্ধান কৰি মন্ত্ৰী মহোদয়ে প্ৰয়োজনীয় ব্যৱস্থা লব বুলি আশা কৰিলো। এই হস্পিতালখনৰ সম্পৰ্কে মই যোৱা বিধান সভাৰ মজিয়াত এটা প্ৰশ্ন কৰিছিলো আৰু তাৰ উত্তৰত মন্ত্ৰী মহোদয়ে বিত্তীয় অৱস্থা টনকিয়াল হলে কাৰ্য্যকৰী ব্যৱস্থা লোৱা হ'ব বুলি কৈছিল। কিন্তু আমি দেখিবলৈ পাইছো যে তাত যিটো 'অপাৰেচন থিয়েটাৰ' আছে টেবুল নাই আনকি লাইট ফিট কৰিবলৈ এডোখৰ লোহাৰও অভাৱ। সেইকাৰণে বোলে তেওঁলোকে তাত লাইট ফিট কৰিব নোৱাৰে। গতিকে এই ৩০ খন বিচনাযুক্ত হস্পিতালখনৰ প্ৰতি মন্ত্ৰী মহোদয়ে চকু দি কাৰ্য্যকৰী ব্যৱস্থা লয় তাৰ কাৰণে আপোনাৰ জৰিয়তে অনুৰোধ জনালো আৰু আজি এই বিধান সভাৰ মজিয়াতে তেখেতৰ পৰা এটি আশ্বাস পাম বুলি আশা ৰাখিলো। আমাৰ এই ঠাইডোখৰ জনজাতি অধ্যুষিত এলেকা যোৰহাট আৰু গোলাঘাট এই দুয়োখন জিলালৈ যাতায়াতৰ অসুবিধা। সেইবাবে আমাৰ সেই অঞ্চলবিলাক মন্ত্ৰী মহোদয়ক পৰিদৰ্শন কৰিবলৈ অনুৰোধ জনালো আৰু পৰ্য্যায়ক্ৰমে ঠাই বিশেষে স্বাস্থ্য কেন্দ্ৰ প্ৰতিষ্ঠা কৰি ব্যৱস্থা গ্ৰহণ কৰিব। মই আৰু বিশেষ কব বিচৰা নাই আজি এই শিতানত মন্ত্ৰী মহোদয়ে যি দাবী মঞ্জুৰী আনিছে তাত মই সমৰ্থন জনাইছো আৰু তেখেতে আজি যিখিনি ধন বিচাৰিছে তাতোকৈ আৰু বেচি দিব বুলি আশা ৰাখিছিলো। যিহেতু আমাৰ ৰাজ্যখনৰ প্ৰতিখন জিলাতে স্বাস্থ্য কেন্দ্ৰৰ অসুবিধা আছে সেয়েহে এই প্ৰস্তাৱটোৰ প্ৰতি সমৰ্থন জনাই আৰু বিৰোধী পক্ষৰ অনা কৰ্তন প্ৰস্তাৱটো বিৰোধীতা কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

**শ্ৰীভূপেন ভূঞা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি স্বাস্থ্য বিভাগৰ সম্পৰ্কত যিটো কৰ্তন প্ৰস্তাৱ আনিছে তাৰ বিষয়ে মই কেইটামান পৰামৰ্শ দিব বিচাৰিছো। আমাৰ ডিব্ৰুগড় জিলাৰ অসম মেডিকেল কলেজখন অৱস্থা দিনক দিনে অতি শোচনীয় আৰু দুখলগা অৱস্থা হৈছে। আনহাতে গুৱাহাটী মেডিকেল কলেজখনৰ অৱস্থা দিনে দিনে উন্নত হৈছে। অৱশ্যে এই ক্ষেত্ৰত মোৰ আক্ষেপ নাই। উজনি অসমৰ সকলো চাহ

* Speech not corrected

বাগিছা আৰু গাওঁ অঞ্চলৰ ৰাইজ জড়িত আছে কাৰণে মই ডিব্ৰুগড় মেডিকেল কলেজখনৰ কথা কব বিচাৰিছো আৰু উদ্বেগ প্ৰকাশ কৰিছো। আজি ভাৰতবৰ্ষত বহুতো উন্নত মানৰ স্বাস্থ্য সেৱা ব্যৱস্থা কৰিছে কিন্তু আজি আমাৰ সেই দুখলগা অৱস্থা কিয় হ'ল? সেইকাৰণে মই স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যিহেতু তেখেতে চাবোৱা সমষ্টিৰ পৰাই প্ৰতিনিধিত্ব কৰিছে তেখেতে ডিব্ৰুগড় মেডিকেল কলেজখনৰ সম্পৰ্কে ভালদৰে জানে। মই আৰু এটা প্ৰস্তাৱ আগবঢ়াইছো। অসম মেডিকেল কলেজখন বিশ্ববিদ্যালয়লৈ উন্নত কৰিব লাগে। দ্বিতীয়তে মই যি অঞ্চলৰ পৰা আহিছো সেই সমষ্টিটো হৈছে বোকাখাট সমষ্টি। সেই অঞ্চলটো জনজাতি আৰু আৰ্থিকভাৱে অনগ্ৰসৰতাৰ অঞ্চল। সেই অঞ্চল মাত্ৰ এখন পি,এইচ,চি আছে। বোকাখাটত এখন ১০০ খন বিচনাযুক্ত হস্পিতাল কৰিব লাগে যিহেতু কাজিৰঙা অভয়াৰণ্যখনো নিচেই ওচৰতে। ভাৰতবৰ্ষ তথা পৃথিৱীৰ বিভিন্ন ঠাইৰ পৰা পৰ্য্যটক আহে। প্ৰয়োজন সাপেক্ষে পৰ্য্যটক সকলে হস্পিতাললৈ আহিলে এই পি,এইচ,চি অৱস্থা দেখি আচৰিত হয়। আৰু তেওঁলোকে আপত্তি কৰে যে অভয়াৰণ্যৰ কাষতে লাগি থকা হস্পিতালৰ অৱস্থা কিয় এনে হৈছে। সেইকাৰণে হস্পিতালখনৰ অৱস্থা উন্নত কৰিব লাগে। তৃতীয়তে আমাৰ গোলাঘাট জিলা ঘোষণা কৰা বহু বছৰ হ'ল। গোলাঘাটৰ যিটো 'ফেমিলি-ওৱেলফায়াৰ' অফিচ আছে সেইটো যোৰহাটৰ পৰাই চলি আছে। গতিকে যোৰহাটত কাৰ্য্য নিৰ্ব্বাহ কৰি থকা ফেমিলি-ওৱেলফায়াৰ অফিচটো অতি সোনকালে গোলাঘাট জিলালৈ স্থানান্তৰ কৰিব লাগে। তাত ডিষ্টিক মেলেৰিয়া অফিচ আছে। গোলাঘাটত ডিষ্টিক মেলেৰিয়া অফিচ 'ক্ৰিয়েট' কৰিব লাগে। তদুপৰিও গোলাঘাট মেলেৰিয়া আক্ৰান্ত অঞ্চল। তাত ডিডিটি ভালদৰে চটিওৱা নহয়। আৰু তাত এটা মবাইল হেল্‌থ চেণ্টাৰ থাকিব লাগে এইখিনি কথা মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

অধ্যক্ষ মহোদয়, শেষত মই এটা কথা কব বিচাৰিছো যে জনজাতীয় অঞ্চলৰ ৰাইজে চিকিৎসাৰ পৰা সদাসৰ্বদায় বঞ্চিত হৈ আহিছে। সেই অঞ্চল বিলাকত যাতে ভালদৰে স্বাস্থ্য সেৱা আগবঢ়াব পাৰে তাৰবাবে অনুৰোধ জনায় মই মোৰ বক্তব্য সামৰণি মাৰিলো।

* **শ্ৰীপ্ৰফুল্ল চন্দ্ৰ গোস্বামী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে যি পৰিমাণৰ টকা অনুমোদন বিচাৰিছে সেই প্ৰস্তাৱত সমৰ্থন জনাই আৰু বিৰোধী পক্ষৰ সদস্যসকলে যি কৰ্ত্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধী কৰি মোৰ বক্তব্য ৰাখিব বিচাৰিছো।

স্বাস্থ্য মানুহৰ অমূল্য সম্পদ। এটা পৰিয়ালে যেনেকৈ স্বাস্থ্য ভালে ৰখাটো চিন্তা কৰা প্ৰয়োজন ঠিক তেনেকৈয়ে চৰকাৰে ৰাজ্যখনৰ মূল উদ্দেশ্য স্বাস্থ্য ৰক্ষাৰ কৰাৰ বাবে ব্যৱস্থা লোৱা অতিব প্ৰয়োজন। আজিৰ যুগত পৃথিৱীৰ বিভিন্ন ঠাইত 'হাট-টেন্সলেটে' কৰিছে, এজনৰ চকু আনি অন্য এজনক দিছে। কিন্তু আজি আমাৰ গাঁৱৰ অঞ্চলৰ অৱস্থা দুখলগা। তাতৈ ডাক্তৰ নেযায়, তেওঁলোকে টাউনৰ ডাঙৰ ডাঙৰ হস্পিতালত এটেষ্ট হৈ থাকে।

আমি যদি এই ক্ষেত্ৰত পৰ্য্যালোচনা কৰিবলৈ যাওঁ তেতিয়াহলে তিনিটা কথা চিন্তা কৰি চাব লাগিব। এক নং কথাটো হ'ল ডাক্তৰী পঢ়িবৰ কাৰণে যি সকলে সুবিধা পায় সেই ছাত্ৰ বিলাক Generally from City to Town. চিটি বা টাউনত জন্ম গ্ৰহণ কৰা এজন লৰাই ডাক্টৰী পাছ কৰাৰ পিচত ৰাস্তা-

* Speech not corrected

ঘাটৰ সুবিধা নথকা গাওঁ অঞ্চলৰ এটুকুৰা আওহতীয়া ঠাইলৈ যোৱাৰ মানসিকতা নথকা কাৰণেই তাত থাকিবলৈ নিবিচাৰে। তাৰ লগতে এইটো কথা যোগ কৰিব লাগিব যে গাওঁ অঞ্চলত যিবিলাক হস্পিতাল চৰকাৰৰ ফালৰ পৰা পাতি দিয়া হৈছে তাত বিভিন্ন ধৰণৰ আঁচনি আছে। বিশ্ব বেংকৰ আঁচনি আছে। দুই হাজাৰ চনত সকলোৰে বাবে স্বাস্থ্য এখন আঁচনি লোৱা হৈছে আৰু সেই আঁচনিৰ জৰিয়তে গাওঁ অঞ্চলত এখন হস্পিতাল গঢ়ি উঠিছে। কিন্তু সেই হস্পিতালখনত যিখিনি সা-সুবিধা থাকিব লাগে সেইখিনি সা-সুবিধা নাই। টাউনত জন্ম গ্ৰহণ কৰা ডাক্তৰ এজনে বেকওৱাৰ্ডপ্লচত থকাৰ মানসিকতা নাই আৰু নিজকে ভবিষ্যতে গঢ়ি তোলাৰ কাৰণে বিভিন্ন উপায়ে টাউনৰ উন্নত হস্পিতালত থাকিবলৈ প্ৰয়াস কৰে। গতিকে মই ভাবো গাওঁ অঞ্চলত জন্ম হোৱা এজন লৰাই ডাক্তৰী পাছ কৰাৰ পিচত গাওঁ অঞ্চলত থাকিবলৈ আপচোচ নকৰে। কিন্তু টাউনৰ লৰাজনে গাওঁ অঞ্চলৰ হস্পিতালত যিখিনি সা-সুবিধা লাগে সেই সা-সুবিধাখিনি নথকাৰ কাৰণে টাউনৰ কোনোবা ভাল হস্পিতাললৈ অহাৰ ব্যৱস্থা কৰে। সেই কাৰণে মই ভাবো ডাক্তৰী পঢ়াৰ ক্ষেত্ৰত গাওঁ অঞ্চলৰ ছাত্ৰক চিলেক্ট কৰাৰ কাৰণে যাতে বেচি প্ৰিফাৰেঞ্চ দিয়া হয় সেইটো কথা চিন্তা কৰিব। মোৰ দ্বিতীয় কথাটো হৈছে— স্কুলৰ ক্ষেত্ৰতো আমি দেখিবলৈ পাইছো যে গাওঁ অঞ্চলৰ স্কুলতকৈ চহৰ অঞ্চলৰ ইংৰাজী মিডিয়ামৰ স্কুল বেচিকৈ গ্ৰো কৰি উঠিছে আৰু এই বিষয়ে বহুত সমালোচনাও হৈছে। চৰকাৰী স্কুলৰ অৱস্থা বেয়া বুলি তাত ছাত্ৰ-ছাত্ৰী সকলে পঢ়িব নোখোজে। চহৰ অঞ্চলত বিভিন্ন ধৰণৰ প্ৰাইভেট হস্পিতাল, নাৰ্চিং হোম আদি গঢ় লৈ উঠিছে। এই প্ৰাইভেট হস্পিতাল বিলাকত আধুনিক যন্ত্ৰ-পাতিৰ পৰা আৰম্ভ কৰি সকলো বিলাক সা-সুবিধা আছে। কিন্তু চৰকাৰী হস্পিতাল বিলাকত তেনেকুৱা ধৰণৰ সা-সুবিধা বিলাক পোৱা নাযায়। গাওঁৰ ৰাইজৰ স্বাস্থ্যৰ উন্নতিৰ কাৰণে চৰকাৰৰ এটা দায়িত্ব আছে। কিয়নো শতকৰা ৬০/৭০ ভাগ মানুহ গাওঁত বাস কৰে আৰু সেয়েহে এই ৬০/৭০ ভাগ মানুহক দি এখন ৰাজ্য উন্নতিৰ পথত আগবাঢ়িব নোৱাৰে। গতিকে গাওঁ অঞ্চলৰ সেই মানুহ খিনিক সা-সুবিধা নিদিয়াটো কোনেও ভাল নোবোলে, সেইটো আপোনালোকে ভাবি চাব। সু-স্বাস্থ্য ৰক্ষা কৰাৰ ক্ষেত্ৰত গাওঁ অঞ্চলত এটা আমুল পৰিৱৰ্তন সাধন কৰিব লাগে। আমাৰ ৰাজ্যখনৰ জনসাধাৰণৰ উন্নতিৰ কাৰণে শিশু উন্নয়ন, মাতৃ মঙ্গল আদি আঁচনি আছে আৰু এই আঁচনি বিলাকত বিশ্ব বেংকৰ পৰা টকা আহি আছে। আজি সদনত এগৰাকী মাননীয় সদস্যই গৰ্ভৱতী মহিলাৰ ক্ষেত্ৰত হস্পিতাল সমূহত যিখিনি সা-সুবিধা থাকিব লাগে সেইখিনি নাই বুলি কৈছে। আজি টি,বি বা অন্যান্য ৰোগৰ কাৰণে চিভিল হস্পিতালৰ পৰা গাওঁ অঞ্চল পৰিদৰ্শন কৰিব লাগে। কিন্তু তেনেধৰণৰ ব্যৱস্থা থকাৰ কথা গাওঁ অঞ্চলৰ ৰাইজে ভু নাপায়। গাওঁ অঞ্চলত যি কেইটা মাতৃ মঙ্গল আৰু চাইল্ড ওৱেলফেয়াৰ চেণ্টাৰ আছে আৰু তাৰ কাৰণে যিখিনি আবণ্টিত সামগ্ৰী আহে সেইখিনি নাপায়। গতিকে বিধায়ক হিচাপে এই ক্ষেত্ৰত আমাৰো এটা কৰ্তব্য আছে। বিভিন্ন আঁচনিৰ জৰিয়তে গাওঁ অঞ্চলৰ ৰাইজৰ কাৰণে যিখিনি সামগ্ৰী আহে সেইখিনি যাতে তেওঁলোকে পায় সেইটো ঠিকমতে পৰ্য্যবেক্ষণ কৰিব লাগে। স্বাস্থ্যৰ ক্ষেত্ৰত আমাৰ চৰকাৰে যিখিনি সা-সুবিধা আগবঢ়াব লাগে তাৰ কাৰণে বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে। শেষত আমাৰ চৰকাৰে চিকিৎসাৰ ক্ষেত্ৰত টাউন চহৰতকৈ গাওঁ অঞ্চলত বেচি প্ৰাধান্য দিব বুলি আশা কৰি মাননীয় মন্ত্ৰী মহোদয়ে যিটো মঞ্জুৰীৰ টকা বিচাৰিছে সেইটোৰ প্ৰতি সমৰ্থন বিচাৰি জনাই আৰু বিৰোধী পক্ষৰ সদস্য সকলে উৎথাপন কৰা কৰ্তন প্ৰস্তাৱৰ

বিৰোধীতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker :** Now Minister's reply. But there is only ten minutes time. Hon'ble Member, Shri Mohini Basumatary to speak.

**শ্ৰীমোহিনী বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই স্বাস্থ্য বিভাগৰ সম্পৰ্কত কেইটামান কথা কবলৈ বিচাৰিছো। মোৰ সমষ্টিত এতিয়ালৈকে প্ৰায় ভালে কেইখন হস্পিতালৰ নিৰ্ম্মাণৰ কাম সম্পূৰ্ণ কৰা হৈছে যদিও ইনঅগৰেচন কৰা হোৱা নাই আৰু প্ৰয়োজনীয় যিখিনি সা-সুবিধা আৰু ডাক্টৰ লাগে সেইখিনি দিয়া নাই। গতিকে এই কথাখিনি মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি ৰাখিছো। মোৰ সমষ্টিৰেই ভেটাপাও(বিজনী) গাওঁত এখন থাৰটি বেডেড ৰুৰেল হস্পিতাল আছে। তাত এক্সৰে মেচিন এখন আছে। কিন্তু চৰকাৰে সেই হস্পিতালখন ৰিপেয়াৰিং কৰাৰ কাৰণেও কিছু টকা দিয়াৰ প্ৰয়োজন আছে। গতিকে সেই হস্পিতালখনৰ যিখিনি লাগতিয়াল সা-সামগ্ৰী লাগে আৰু ৰিপেয়াৰিঙৰ কাৰণে যিখিনি টকা লাগে সেইখিনি চেনচন দিয়াৰ কাৰণে অনুৰোধ জনালো। আজি বিঅনী চাব ডিভিজনত এখনো এম্বুলেঞ্চ নাই। গতিকে তাত এখন এম্বুলেঞ্চ দিয়াৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। শেষত এটা কথা মই বিশেষ ভাবে কব খুজিছো যে আমাৰ অঞ্চলটো হৈছে ডিচটাৰবেঞ্চ এৰিয়া অঞ্চল আৰু তাত যাতায়াতৰ সা-সুবিধা কম। গতিকে আমটেকা কৈইকা মেলা অঞ্চলত থকা হস্পিতালত ডাক্টৰ নহলেও কম্পাউণ্ডাৰ বা নাৰ্চ যাতে থাকে তাৰ কাৰণে অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

**Mr. Speaker :** Now, Hon'ble Member, Shri Alauddin Sarkar to speak.

**শ্ৰীআলাউদ্দিন চৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ শিতানত যিটো কৰ্ত্তন প্ৰস্তাৱ উথাপন কৰিছে সেই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি এই মঞ্জুৰীটো সমৰ্থন জনাই মই কেইটামান কথা ডাঙি ধৰিব বিচাৰিছো। একবিংশ শতিকাত সকলোৰে বাবে স্বাস্থ্য সেৱা আগবঢ়াব। এই বিষয়টো এতিয়া আন্তৰাষ্ট্ৰিয় দৃষ্টিভংগীৰে সকলোৰে মনত উদ্ভৱ হৈছে আৰু ই এটা সকলোৰে কাৰণে সপোন হৈ পৰিছে। এই সম্পৰ্কত মই দুটামান কথা ডাঙি ধৰিব বিচাৰিছো। আমাৰ যিবিলাক বাৰ্ষিক পৰিকল্পনা লও সেইবিলাক বিভিন্ন বিভাগৰ বা দপ্তৰৰ বাবে বহু টকা-পইচা বিচাৰি জনসাধাৰণৰ কল্যাণমূলক কামত ব্যৱহাৰ কৰা হয়। এই ক্ষেত্ৰত পৰিয়াল কল্যাণৰ ক্ষেত্ৰত যিটো টকা বৰাদ্ধ কৰা হয় সেই টকাটো যথা-যথ ভাবে খৰচ কৰিলেহে ৰাইজৰ হিত সাধন কৰা হব। আগতে এই বিভাগটোৰ ক্ষেত্ৰত পৰিয়াল নিয়ন্ত্ৰণৰ ওপৰত বেচি জোৰ দিয়া হৈছিল কিন্তু এতিয়া পৰিয়াল কল্যাণৰ ওপৰতহে বেচি জোৰ দিয়া হৈছে। জনসংখ্যা বৃদ্ধি এই দিশতো সহজে ৰোধ কৰাটো সহজ কথা নহয়, গতিকে এই ক্ষেত্ৰত কিছু আলোচনাৰ প্ৰয়োজন। আমাৰ জনসাধাৰণৰ পৰিয়াল পৰিকল্পনা ও পৰিয়ালৰ কল্যাণ তথা নিয়ন্ত্ৰণ ইত্যাদি এই সেৱাৰ কাৰণে আমাৰ ডাক্তৰৰ পৰা আৰম্ভ কৰি বিভিন্ন সৰু সুৰা চাকৰিয়াল আছে যি সকলৰ ওপৰত এই সমস্ত স্বাস্থ্য সেৱাটো নিৰ্ভৰ হৈ আছে, তাৰ ভিতৰত আমি দেখিছো আমাৰ যি সকল স্বাস্থ্য সহায়ক আছে তেওঁলোক যিমানখিনি অবদান দিয়ে তাৰ তুলনাত অন্যান্য সেৱাতকৈ কোনো গুনেই কম নহয়। আজি আমাৰ এই সমস্ত স্বাস্থ্য সেৱাৰ কাম বাস্তবায়ন কৰি তুলিবলৈ হলে সকলো চাকৰিয়ালৰ ওপৰত সমানে গুৰুত্ব দিব লাগিব। কিন্তু আমাৰ এই স্বাস্থ্য সহায়ক

সকলৰ পাবলগীয়া ৫০ টকাৰ পৰা তেওঁলোকক বঞ্চিত কৰি ৰখা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা ৩ কোটি টকা বৰান্দ কৰা হৈছিল তাৰে এই স্বাস্থ্য সহায়ক সকলক ৫০ টকাকৈ দিব লাগিছিল কিন্তু বেন্দেজ কাপোৰ-কানি ইত্যাদি ক্ৰয় কৰাৰ নামত এই বিশাল পৰিমাণৰ টকাতো খৰচ কৰি পেলালে কিন্তু স্বাস্থ্য সহায়ক সকলক তেওঁলোকৰ প্ৰাপ্য ৫০ টকাতো আদায় দিয়া নহ'ল। গতিকে পৰিকল্পনাগত ভাবে আমি এই স্বাস্থ্য সেৱাৰ কাৰণে যিখিনি উন্নয়নমূলক কাম কৰিব বিচাৰিছো সেইখিনি যদি আমি নিয়ন্ত্ৰণ কৰিবনোৱাৰো তেতিয়াহলে চিকিৎসা সেৱাৰ ক্ষেত্ৰত উন্নয়নৰ বাট মোকলাব নোৱাৰিম। কিয়নো স্বাস্থ্য সেৱাৰ অন্যতম সেৱা এই স্বাস্থ্য সহায়ক সকলে আগবঢ়াই আছে! অথচ তেওঁলোককে নিজৰ প্ৰাপ্য ৫০ টকাৰ পৰা বঞ্চিত কৰা হৈছে। তাৰ পাচত চাওক আমাৰ যি পি,এইচ, ই আছে সেইটো অল ইন্দিয়া নৰ্মচত আছে নে নাই? আমাৰ পি,এইচ,ই জনস্বাস্থ্য, পাবলিক হেল্থ চেণ্টাৰ, মেডিকেল চাব চেণ্টাৰ বা অনেক কামবিলাক স্বাস্থ্য কেন্দ্ৰ আছে এই আটাইবিলাকতে বিশাল বাহিনী আছে, এই গোটেই বিলাক আমি সুসংগঠিত ভাবে পৰিচালনা কৰিলেহে আমি স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত আগবাঢ়িব পাৰিম। সেয়ে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যাতে জনস্বাস্থ্য সেৱা আৰু ইয়াৰ সম্প্ৰসাৰণ কৰাৰ ক্ষেত্ৰত কি কি ব্যৱস্থা লবলৈ বিচাৰিছে সেই বিষয়ে সদৰী কৰিলে ভাল হয়। ইতিমধ্যে 'পেকেজ' আঁচনি মতে গুৱাহাটী মেডিকেল কলেজৰ উন্নিতকৰণৰ যি ব্যৱস্থা লৈছে সেইটো আমি ভাল পাইছো কিন্তু অসম মেডিকেল কলেজ আৰু শিলচৰ মেডিকেল কলেজৰ উন্নতিৰ প্ৰতি ও মনোযোগ দিব লাগে যাৰে অসম বাসীয়ে বছৰি বছৰি আধুনিক ও উন্নত চিকিৎসা লোৱাৰ কাৰণে বাহিৰলৈ যাব লগা হয়, সেইটোৰ যাতে অৱসান হয় সেইকাৰণে আমাৰ ইয়াতে আধুনিক আৰু উন্নত চিকিৎসা সেৱা আগবঢ়াব পাৰি তাৰ প্ৰতি বিশেষ নজৰ দিব লাগে। ..........(সময়ৰ সংকেত) ...........(সময়ৰ সংকেত)। এই মেডিকেল কলেজ বিলাকত আটাইতকৈ বেচি মেৰিট থকা প্ৰাথমিক চিকিৎসা সেৱাৰ বাবে বাচনি কৰিব লাগে আৰু এই যি সকলে চিকিৎসাত কৃতকাৰ্য্য হৈ ডাক্তৰ হয় তেওঁলোকক গাৱঁ অঞ্চলত অতি কমেও ৫/৬ বছৰ চিকিৎসা সেৱা আগবঢ়োৱাতো বাধ্য আমোলমূলক কৰিব লাগে। আপোনালোকে জানে ফ্ৰান্সৰ নিচিনা দেশত ডাক্তৰ সকলক সামৰিক বাহিনীত সেৱা আগবঢ়োৱাৰ কাৰণে ৬ বছৰ ধৰি বাধ্যতামূলক কৰা হৈছিল আৰু তেনে ধৰণে পশ্চিমীয়া দেশত সামৰিক বাহিনীত সেৱা আগবঢ়োৱাতো বাধ্যতামূলক, ঠিক তেনেকৈ আমাৰ যি সকল ডাক্তৰ আছে তেওঁলোকক গাওঁ অঞ্চলত কাম কৰিবলৈ বা গাওঁ অঞ্চলত সেৱা আগবঢ়োৱাতো বাধ্যতামূলক হ'ব লাগিব। বহু সময়ত দেখা যায় ডাক্তৰখানাৰ পৰা ঔষধ-পাতি বিলাক নোহোৱা হয় এই সম্পৰ্কত কাগজ-পত্ৰ পুলিচে জব্দ কৰে কিন্তু চাৰ্জচিটি দিয়া নাই। এই কথাবিলাক চাবলগীয়া হৈছে। ....................(সময়ৰ সংকেত) ....................। আগমণীৰ বা অঞ্চলে প্ৰায় ১৬ লাখ টকা খৰচ কৰিলে কিন্তু পি, এই, চিটো হালাকোবাত দিলে, মন্ত্ৰী মহোদয়ে নতুন পি, এই, চিতো হালাকোবাত উদ্বোধন কৰি আহোতে আগমণীত সোমাই আহিছিল তেতিয়া ৰাইজে আগমণীত মাতৃ-সেৱা কেন্দ্ৰটো অনুমোদন দিবৰ কাৰণে অনুৰোধ জনাইছিল।

(................... বাৰ বাৰ সময়ৰ সংকেত ধ্বনি বাজিছিল) সময় যিহেতু কম, মই আৰু দিঘলীয়া নকৰো, এইখিনিকে আশা ৰাখি মোৰ চমু বক্তব্যৰ সামৰণি মাৰিলো।

**শ্ৰীভবেন বৰুৱা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি স্বাস্থ্য বিভাগৰ শিতানত যি দাবী

মঞ্জুৰী উত্থাপন কৰা হৈছে, সেই দাবীৰ ওপৰত কৰ্তন প্ৰস্তাৱ আনি মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে আৰু চৰকাৰী পক্ষৰ মাননীয় সদস্য সকলে যি গঠনমূলক পৰামৰ্শ আগবঢ়াইছে তাৰ বাবে মই সকলো সদস্য লৈকে ধন্যবাদ জ্ঞাপন কৰিলো। স্বাস্থ্য বিভাগৰ বিভিন্ন দিশত যিবিলাক অসুবিধা আৰু সমস্যা হৈছে সেইবিলাক দূৰীকৰণৰ ক্ষেত্ৰত কেবাগৰাকী মাননীয় সদস্যই দিহা-পৰামৰ্শ আগবঢ়াইছে, সেই পৰামৰ্শখিনি পূৰণ কৰিবৰ কাৰণ সকলো প্ৰকাৰৰ প্ৰচেষ্টাৰ বাট ৰখা হব। প্ৰথমতেই মাননীয় সদস্য ডাক্তৰ ইচলাম মহোদয়ে যিখিনি পৰামৰ্শ আগবঢ়াইছে তাৰ বাবে আমি সজাগ আছো, গ্ৰামাঞ্চলত যাতে স্বাস্থ্য সেৱা সঠিক ভাবে যাই তাৰ বাবে বিহিত ব্যৱস্থা লোৱা হৈছে, এঠাইত নিযুক্তি পাই আন এঠাইত চাকৰি কৰা যি নীতি সেইটো এতিয়া প্ৰত্যাহাৰ কৰা হ'ব।

ইয়াৰ ফলত ডাক্তৰ সকলে কামত যোগদান কৰিছে গৈ। এই সিদ্ধান্তৰ প্ৰতি সহাঁৰি নজনোৱা কেইগৰাকীমান চিকিৎসক কামৰপৰা অব্যাহত দিব লগা হৈছে। এইটো সঁচা যে এতিয়ালৈকে স্বাস্থ্য বিভাগত ২৫০ টা পদ খালি হৈ আছে। যোৱা দুটা মাহত স্থায়ী বা অস্থায়ী ভাৱে এই পদ পূৰণ কৰিবৰ বাবে ব্যৱস্থা কৰি থকা হৈছে। সৰহ সংখ্যক স্থায়ী বা অস্থায়ী ভাবে নিযুক্তি দিব পৰা গৈছে। মেলেৰীয়া সম্পৰ্কত ডঃ ইছলাম ডাঙৰীয়াই উত্তম পৰামৰ্শ আগবঢ়াইছে। মেলেৰীয়া প্ৰতিৰোধৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মেলেৰীয়া আক্ৰান্ত ঠাই বিলাক চিনাক্তকৰণ কৰি প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। স্বাস্থ্য বিভাগৰ গাড়ী নথকা বাবে যথেষ্ট অসুবিধাৰ কথা অনুভৱ কৰি আহিছে। এই বিষয়ে ব্যৱস্থা লৈ থকা হৈছে। অলপতে অসমৰ বিভিন্ন ভিতৰুৱা অঞ্চল শদীয়া, ধেমাজী জোনাইত এনেধৰণৰ এম্বুলেন্স আৰু জীপ গাড়ী দিয়া ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু ইতিমধ্যে দিয়া হৈছে। মেডিকেল কলেজ তিনি খনৰ সম্পৰ্কত কেইটামান পৰামৰ্শ আগবঢ়াইছে। এই তিনি খন মেডিকেল কলেজৰ আগতকৈ যথেষ্ট উন্নত কৰিবৰ কাৰণে বিভিন্ন ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। গুৱাহাটী মেডিকেল কলেজৰ উন্নতিৰ বাবে ইতিমধ্যে আমি কেন্দ্ৰিয় চৰকাৰৰ পৰা ২ কোটি টকাৰ অনুমোদন পাইছো। ডিব্ৰুগড় আৰু শিলচৰ মেডিকেল কলেজৰ বাবে এন,ই,চিৰ পৰা ৭০ লাখ টকা অনুদান পাইছো। এই সম্পৰ্কত বিভিন্ন ধৰণৰ জাৱতীয় ব্যৱস্থা আমি গ্ৰহণ কৰি আছো। সহকৰ্ম্মী আলি আকবৰ মিয়াই ধুবুৰী জিলা সম্পৰ্কত কেইটামান কথাৰ পৰামৰ্শ আগবঢ়াইছে। আমি কোনো দিনে কোনো অঞ্চল ইচ্ছাকৃতভাৱে আতৰাই ৰাখিব নিবিছাৰো। আমি জানিব পাৰিছো যে ধুবুৰী চিভিল হস্পিতাল উপযুক্তভাৱে চলি আছে। ডাক্তৰৰ কিছু সমস্যা নথকা নহয়। কেইটামান ডাক্তৰৰ পোষ্ট খালি আছে। এই পদবিলাক সোনকালে পূৰণৰ ব্যৱস্থা কৰা হ'ব। ইতিমধ্যে চিলেকচন কমিটি হৈ গৈছে আৰু এপ্ৰিল মে'ৰ ভিতৰত সম্পূৰ্ণ কৰিব পৰা যাব। হস্পিতালৰ যাবতীয় যন্ত্ৰ পাতি নাই বুলি কৈছে। এই বিষয়ে নিশ্চয় আমি লক্ষ্য ৰাখিম যাতে ধুবুৰী অঞ্চলৰ ৰাইজ চিকিৎসা সেৱাৰ পৰা বঞ্চিত নহয়। মাননীয় সদস্য মুছাহাৰী ডাঙৰীয়াই কেইটামান গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়োৱাৰ বাবে ধন্যবাদ জনাইছো। স্বাস্থ্য বিভাগত বিষয়াসকল মন্ত্ৰীৰ কন্ট্ৰোলত নাই বুলি কোৱা কথাটো মই মানি লব নোৱাৰো। ডাক্তৰৰ গাফিলটি সম্পৰ্কত ইতিমধ্যে তদন্তৰ ব্যৱস্থা গ্ৰহণ কৰিছো আৰু তেনে ধৰণৰ বিশেষ অভিযোগ দিলে নিশ্চয় তাৰ ব্যৱস্থা গ্ৰহণ কৰিম। মাননীয় সদস্য গৰাকীয়ে ৫০ টকীয়া দৰমহাৰ বিষয়টো উল্লেখ কৰিছে। আচলতে কেন্দ্ৰিয় চৰকাৰৰ চেচ্চমূলক বৃত্তি

* Speech not corrected

হিচাবে গ্ৰহণ কৰি ৬০ টকা মাননী হিচাবে দিয়া হয়, চাকৰি নহয়। গতিকে যিটো পৰামৰ্শ দিছে সেই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰিবলৈ যোগাযোগ কৰা হ'ব। কি ব্যৱস্থা গ্ৰহণ কৰা হ'ব নিশ্চয় জানিব পাৰিব। ডি,ডি,টি স্প্ৰে কৰা সম্পৰ্কত যাৱতীয় নিৰ্দ্দেশ দিয়া হৈছে আৰু এপ্ৰিল মাহৰ পৰা কাম আৰম্ভ হ'ব। মেলেৰীয়া আক্ৰান্ত অঞ্চল চিনাক্ত কৰি তীক্ষ্ণ দৃষ্টি ৰখা হ'ব। তামুল পুৰৰ মেলেৰীয়া অঞ্চল এইবাৰ আগতে প্ৰতিৰোধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হব। শ্ৰীমতী সুশীলা হাজৰিকাই দেৰগাওঁৰ ৩০ খন বিচনাযুক্ত হস্পিতাল সম্পৰ্কত যি অভিযোগ আনিছে সেই সম্পৰ্কত কব বিচাৰিছো যে এই হস্পিতালখন সম্পূৰ্ণ হৈছে আৰু বৰ্হিৰবিভাগ চলি আছে। বিচনা পত্ৰ দিব পৰা নাই তথাপি সমগ্ৰ অসমতে দৰপ পাতি দিয়াৰ ব্যৱস্থা কৰা হৈছে। বেগুেজ, মেট্ৰচ, আঠোৱা, পিলোকাভাৰ আদি দিয়াৰ ব্যৱস্থা কৰা হৈছে। কৰবাত যদি পোৱা নাই যোগাযোগ ৰাখিলে সেই অঞ্চলত এপ্ৰিল মাহৰ ভিতৰত গৈ পাব। যিখিনি নাটনিৰ কথা কৈছে সেইখিনি ব্যৱস্থাৰ উন্নতি কৰিব পাৰিম। জ্যেষ্ঠ বিধায়ক শ্ৰীভুপেন ভূঞাই মেডিকেল কলেজ সম্পৰ্কত যি কৈছে সেই সম্পৰ্কত মই কব বিচাৰো যে অসম চিকিৎসা মহাবিদ্যালয়ৰ ক্ষেত্ৰত চৰকাৰে কেতিয়াওঁ পক্ষপাত মূলক দৃষ্টি গ্ৰহণ কৰা নাই। উজনি অসমৰ ৰাইজৰ চেন্টিমেণ্ট নথকা নহয়। মই জনাবলৈ পাই সুখী হৈছো যে নিউৰলোজীকেল চেণ্টাৰ ১,০০৮৩ লাখ টকা ব্যয়ত নিৰ্ম্মাণ কৰাৰ কাৰণে আঁচনি গ্ৰহণ কৰা হৈছে আৰু সোনকালে কৰিব পৰা যাব। তদুপৰি এন,ই,চিৰ পৰা ৫৬ কোটি টকা বিচাৰি প্ৰস্তাৱ দাখিল কৰা হৈছে আৰু সোনকালে অনুমোদন পাব। এইখিনি হলে অসম চিকিৎসা মহাবিদ্যালয়ৰ যথেষ্ট উন্নতি হ'ব। বিভিন্ন ধৰণৰ চেচ্চা মূলক অনুস্থান আৰু এৰিয়া প্ৰজেক্টৰ পৰা ইতিমধ্যে ১০ লাখ টকা খৰছ কৰা হৈছে। পানীৰ ব্যৱস্থা কৰিব। শ্ৰীপ্ৰফুল্ল গোস্বামীয়ে যিখিনি কথা কৈছে শিক্ষা শেষ কৰাৰ পাচত গাওঁত চাকৰি কৰিবলৈ যোৱাতো ব্যৱস্থা কৰা হৈছে। আপোনালোকে নিশ্চয় স্বীকাৰ কৰিব যে মেডিকেল কলেজৰ নাম ভৰ্ত্তিৰ পৰা আৰম্ভ কৰি যিকোনো আঁচনিত তেনেধৰণৰ বিশেষ অভিযোগ পোৱা নাই। প্ৰথমতে নাম ভৰ্ত্তিৰ পৰা আৰম্ভ কৰি মেডিকেল কলেজ বা চিকিৎসা বিভাগত অভিযোগ আছিল। মই ভাবিছো শতকৰা ১০০ ভাগ পুৰাব নোৱাৰিলেও কিছু শতাংশ পূৰাব পাৰিছো। সৰ্ব্ব শেষত আশা ৰাখিছো বিভাগটো পৰিচালনাৰ বাবে ৯৩ কোটি ৭৮ লাখ ২৭ হাজাৰ যি দাবী মঞ্জুৰী উৎথাপন কৰা হৈছে সেই সম্পৰ্কত কৰ্ত্তন প্ৰস্তাৱ উঠাই লৈ সহযোগ আগবঢ়াব।

* **শ্ৰীচিলভিউচ কন্দপান ঃ** স্পষ্টিকৰণ বিচাৰেছে মেডিকেল কলেজত নাম ভৰ্ত্তিৰ ক্ষেত্ৰত টি-ট্ৰাইবচৰ ঠাইত নন টি ট্ৰাইবচএ নাম ভৰ্ত্তি কৰিছে। এই ক্ষেত্ৰত ভুপেন ভূঞাই উৎথাপন কৰিছে।

* **শ্ৰীভৰেন বৰুৱা, মন্ত্ৰী ঃ** ধন্যবাদ। এইটো চাম।

* **শ্ৰীআলাউদ্দিন চৰকাৰ ঃ** মোৰ বক্তব্যখিনিৰ কিবা পইণ্ট আছে নে নাই?

* **শ্ৰীভৰেন বৰুৱা, মন্ত্ৰী ঃ** তেখেতৰ পৰামৰ্শখিনি নিশ্চয় গ্ৰহণ কৰিছো।

**Mr. Speaker :** Now it is 1.30 p.m. and I guilletine all the remaining Cut Motions. Now, I put all the remaining Demands for grant nos. 30, 31, 32, 33, 34, 35, 37, 40, 41, 42, 43, 44, 45, 46, 47, 48, 49, 50, 51, 52, 53, 54,

---

* Speech not corrected

55, 56, 58, 59, 60, 61, 62, 63, 65, 66, 67, 68, 69 and 70 for approval of the House.

Those who are in favour say 'Ayes'

Those who are in against say 'Noes'

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

The Demands for Grant Nos. 30, 31, 32, 33, 34, 35, 37, 40, 41, 42, 43, 44, 45, 46, 47, 48, 49, 50, 51, 52, 53, 54, 55, 56, 58, 59, 60, 61, 62, 63, 65, 66, 67, 68, 69 and 70 are passed.

## INTRODUCTION, CONSIDERATION AND PASSING OF THE ASSAM APPROPRIATION (NO-II) BILL, 1997

**Mr. Speaker :** Now, Item No.2(a), The Assam Appropriation (No.II) Bill, 1997. Hon'ble Chief Minister to move.

**Shri Prafulla Kumar Mahanta (Chief Minister) :** Hon'ble Speaker Sir, I beg leave to introduce 'The Assam Appropriation" (No.II) Bill, 1997.

**Mr. Speaker :** Is it the pleasure of the House to grants leave to introduce the Bill. (Voice-'Yes', 'Yes').

Leave is granted.

Read out the message of the Governor of Assam recommending introduction of 'The Assam Appropriation No.(II) Bill, 1997 in Assam Legislative Assembly.

Now, Hon'ble Chief Minister to introduce the Bill.

**Shri Prafulla Kumar Mahanta (Chief Minister) :** Sir, I beg to introduce 'The Assam Appropriation No.(II) Bill, 1997.

**Secretary, A.L.A :** Read out the title of the Bill.

**Mr. Speaker :** Now, Item No.2(b).

(Read out the message of the Governor of Assam recommending that the Assam Appropriation (No.II) Bill, 1997 be taken into consideration in the Assam Legislative Assemble).

Now, Hon'ble Chief Minister to move.

**Shri Prafulla Kumar Mahanta (Chief Minister) :** Sir, I beg to move that the Assam Appropriation (No.II) Bill, 1997 be taken into consideration.

**Shri Holiram Terang :** Sir, the Hon'ble Chief Minister who is in charge of the Finance Department has brought before the House the 2nd Appropriation Bill for passing Rs. 6286 crores. Sir, we do not have any objection in passing the Bill. Only one small matter but very important is that this House i.e. Assembly and the other Assemblies are to pass the Appropriation Bills according to the budget estimates placed by the executive and the executive is supposed to spend the appropriated amount according to the needs specified in the budget estimates. But, Sir, unfortunately in Assam, it is seen that the Government i.e., the executive, use to utilise the amount not necessarily for the purpose which this August Assembly passes, and that is why Sir, the Government in power use to divert the particular fund at the end of the financial year to Revenue Deposit under Public Account. When the fund comes under Public Account, the Assembly does not have any say over that the Public Accounts Committee is seized of the matter. Sir, for information of this August House, the matter was brought in the Conference of the Chairmen of the Public Accounts Committee which was held very recently i.e. 15 and 16th March at Delhi which was inaugurated by the Hon'ble Speaker of the Lok Sabha and Chaired by the Chairman of the Public Accounts Committee, Lok Sabha, where an unanimous decision was taken that this practice is wrong. In the said conference, the learned Comtroller and Auditor General of India suggested/to bring an Act that no fund under that one way of stopping this practice is the Appropriation Bill or Act shall be diverted. But since there is paucity of time, we have no opportunity to place the matter with the Chief Minister who is holding the charge of the Finance Department; but naturally, we would expect from the Hon'ble Chief Minister and we have come to know that the present Government has already discarded this practice of depositing the un-utilised funds to Revenue Deposit which during the last supplementary budget, they have shown an example in this House and we hope the Chief Minister shall

* Speech not corrected

an example in this House and we hope the Chief Minister shall give appropriate assurance that no fund passed by this Assembly shall be diverted to other purposes. With these few words Sir, I conclude.

* শ্ৰীহেমেন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অহা বছৰৰ বাবে বাজেট আজি ভাল ভাবে গ্ৰহণ কৰিব আৰু এই সম্পৰ্কত মই দুটামান কথা কব বিচাৰিছো। কথা হৈছে যে, এই বাজেটৰ এটা ডাঙৰ অংশ খৰচ কৰা হব ঋণ পৰিশোধ কৰাত আৰু ঋণৰ সুদ দিয়াত। গতিকে ইয়াতে ১৫৮০ কোটি টকা লাগিব। গতিকে ঋণৰ হাতৰ পৰা কেনেকৈ সকাহ পাব পাৰি এই বিষয়ে চিন্তা কৰিব লাগে। আমাৰ ৰাজ্যখনত উৎপাদন কম। গতিকে উৎপাদন বৃদ্ধি কৰাৰ বাবে যিখিনি ধাৰ্য্য কৰা হৈছে সেই টকাখিনি যাতে সঁচা-সঁচিকৈ উৎপাদন বঢ়োৱাত ব্যয় কৰিব পাৰো তাৰ কাৰণে চাব লাগিব। যোৱা কালি বিৰোধী পক্ষৰ ফালৰ পৰা এটা কথা উঠিছিল আৰু দুৰ্নীতিৰ কথা উৎথাপন হৈছিল। মই চৰকাৰক অনুৰোধ কৰিছো ভবিষ্যতে যাতে কোনো পক্ষই এনে অভিযোগ চৰকাৰৰ বিৰুদ্ধে আনিব নোৱাৰে তাৰ বাবে সাৱধান হ'ব লাগে। আমাৰ টকা সাধাৰণতে ৰাইজৰ ভাল কাম কৰাৰ বাবে। গতিকে ৰাইজৰ কামত খৰচ কৰিব লাগিব তেতিয়াহে চৰকাৰৰ ভাৱমূৰ্ত্তি উজ্জল হব। চিন্তা কৰিব লাগিব যাতে কোনো পক্ষৰ পৰাই দুৰ্নীতিৰ অভিযোগ উৎথাপন কৰিবলৈ সাহস নকৰে। ভাৰতবৰ্ষত এটা বিষয় ডাঙৰ হৈছে সেইটো হৈছে দুৰ্নীতি। আজি দুৰ্নীতিৰ বিৰুদ্ধে চি,বি আইয়ে ব্যৱস্থা লব লগা হৈছে। বাজেটৰ ধনৰ লুট পাট আমাৰ চৰকাৰৰ দিনত হব নালাগে। গতিকে তাৰ ওপৰত চোকা নজৰ ৰাখিব লাগিব। এইখিনিতে মই কব বিচাৰিছো যে, ৰাজ্যখনত উৎপাদন বৃদ্ধি কৰাৰ বাবে যত যত সম্ভাৱনা আছে তাত উৎপাদন বৃদ্ধি কৰাৰ বাবে যত্ন কৰিব লাগে। কৃষি বিভাগৰ সম্পৰ্কত আলোচনা হোৱা নাই। অসমত উদ্যোগো বৰ বেচি নাই। ডাঙৰ উদ্যোগ চাহেই আছে বাকী ২/১ টা উদ্যোগ আছে। অসমৰ উন্নতি কৰিবলৈ হলে কৃষি খণ্ডৰ উৎপাদন বৃদ্ধিৰ বাবে জোৰ দিব লাগিব। কৃষিৰ উন্নতি কৰিবলৈ জলসিঞ্চন বিভাগৰো আলোচনা হোৱা নাই। গতিকে জলসিঞ্চন আৰু কৃষি এই দুটা বিভাগৰ ওপৰত মন্ত্ৰী সভাই সামগ্ৰিকভাবে দৃষ্টি দিয়া প্ৰয়োজন। তেনেহলে আমি কৃষি উৎপাদন বৃদ্ধিত কিছু পৰিমাণে অৰিহনা যোগাব পাৰো। বিদ্যুৎ বিভাগো আলোচনা নহল। এই বিভাগৰ কাৰণে কিছুটকা ধৰা হৈছে। এই বিভাগে এতিয়াও অসমৰ বহুত গাওঁ সামৰি লোৱা নাই। কিছুমান গাৱত এটা খুটা পোতাৰ লগে লগে চৰকাৰক জনায় যে, এই গাওঁবিলাক বৈদ্যুতিকৰণ হৈ গৈছে। আৰু কিছুমান অঞ্চল আছে যত ২২ খন গাওঁ একেলগে আছে তাৰ নামো উল্লেখ নহ'ল। আজি বিদ্যুৎৰ প্ৰয়োজন হৈছে নিউজ লোৱা বা টি,ভি আদি চোৱাৰ বাবেও। সৰুসুৰা বল কাৰখানা বিলাকত ডিজেলৰ পৰিবৰ্তে যদি বিদ্যুৎ যোগান দিব পাৰে তেনেহলে আগবাঢ়িব। অকল মুখ্য মন্ত্ৰীকে নহয়, মন্ত্ৰী মণ্ডলীকো অনুৰোধ কৰিছো যাতে এজন মন্ত্ৰীৰ বিৰুদ্ধেও অভিযোগ আনিব নোৱাৰে তাৰ বাবে চৰকাৰ সচেতন হ'ব লাগে আৰু সাৱধান হোৱা উচিত। আজি বিনিয়োজন বিধেয়ক অনা হৈছে অসমৰ ৰাইজৰ মঙ্গলৰ কাৰণে এই টকা খৰচ হব। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীচিলভিউচ কন্দপান ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ সন্মুখত এপ্ৰপ্ৰিয়েচন বিল দাঙি ধৰা হৈছে আৰু অলপ সময়ৰ ভিতৰতে এইখন সদনত গৃহীত হব আৰু ১৯৯৭-৯৮ চনত অসমৰ ৰাইজৰ মঙ্গলৰ বাবে এই টকা খৰচ কৰা হব। এই বিধান সভাত পাছ হৈ যোৱা যি টকা বিভিন্ন বিভাগক বিত্ত বিভাগে

ৰিলিজ কৰে সেইটো ৰিলিজ কৰোতে বিভিন্ন আসোঁৱাহ দেখুৱাই বিত্ত বিভাগে সময়মতে টকা-পইচা নিদিয়ে। গতিকে এই অসুবিধাখিনি এই বছৰৰ পৰা অলপ সহজ সৰল কৰিবৰ কাৰণে মই মুখ্য মন্ত্ৰী তথা বিত্ত বিভাগৰ দায়িত্বত থকা মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। এই টকা পইচা বিভাগ সমূহে সময়মতে নাপায় ৩১ মাৰ্চৰ আগে আগে যিটো হেঁচা ঠেলা লাগে সেইটো নাইকিয়া কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু এই ক্ষেত্ৰত ফাইনেন্সিয়েল ডিচিপ্লিন অনাৰ কাৰণে অনুৰোধ ৰাখিলো। এই খিনিতে মই শ্বেলচ্ টেক্স সম্পৰ্কে দুষাৰমান কব খুজিছো। এই বিষয়ত এইবাৰ সদনত আলোচনা কৰা ন'হল। বৰ্ত্তমান চৰকাৰে বিভিন্ন শিতানত কৰ কাটল বৃদ্ধি কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত আমি খা-খবৰ লৈ জানিব পাৰিছো যে অসমৰ ৪০ হাজাৰ স্বৰ্ণ শিল্পী বৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হ্ব বুলি আশংকা কৰা হৈছে। এই বিষয়টো ইতিমধ্যে আমাৰ ফালৰ পৰা মুখ্য মন্ত্ৰী মহোদয়ক অবগত কৰা হৈছে। আজি অসমত সোনৰ আ-অলংকাৰৰক্ষেত্ৰত ১৪ শতাংশ কৰ লগোৱাৰ ব্যৱস্থা কৰা হৈছে। কিন্তু ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্য বিশেষকৈ গুজৰাট, দিল্লী, ৰাজস্থান, চেন্নাই, পশ্চিম বঙ্গ আদি ৰাজ্যত এই কৰ মাত্ৰ ১ ৰ পৰা ৩ শতাংশ। সেই অনুপাতে আমাৰ অসমত ১৪ শতাংশলৈ বৃদ্ধি কৰাৰ ফলত স্বৰ্ণশিল্পী সকলক মৰাৰ ব্যৱস্থা কৰা হৈছে আৰু ইয়াৰ লগে লগে এই ক্ষেত্ৰত অসমে যিটো কৰ পোৱাৰ আশা কৰিছে সেই কৰ বাহিৰৰ ৰাজ্যলৈহে যোৱাৰ সম্ভাৱনা হৈ পৰিছে। গতিকে এই সম্পৰ্কত অলপ আলোচনা বিলোচনা কৰি ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা ৰাখিলো।

অধ্যক্ষ মহোদয়, আন এটা কথা হ'ল — অসম চুক্তিৰ ৭ মে ৮ দফাত অসমীয়া ভাবা সংস্কৃতি সংৰক্ষিত কৰিব লাগে বুলি উল্লেখ কৰা আছে। সেই চুক্তি ৰ আধাৰত অসমত এটা বিভাগ আছে। এই ক্ষেত্ৰত মই অসম প্ৰকাশন পৰিষদৰ বিষয়ে উল্লেখ কৰিব খুজিছো যে এই প্ৰকাশন পৰিষদে এই ক্ষেত্ৰত যি ধৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে সেই ব্যৱস্থা লোৱা হোৱা নাই। আন এটা কথা হ'ল — পাৱাৰ সম্পৰ্কত আমাৰ বিস্তৃত আলোচনা নহ'ল। মুখ্য মন্ত্ৰী মহোদয়ক এটা কথা কৈছে যে মাইনৰ পাৱাৰ প্ৰজেক্ট বিলাকত গুৰুত্ব দিয়া হব। গতিকে এই কাম বিলাক সোনকালে কৰিলে ভাল হয়। তাৰ পৰা অসম ৰাজ্যখনে ৰাজহ উৎপাদন কৰাত সমৰ্থ হ'ব। কৃষি ক্ষেত্ৰতো বিশেষকৈ চাহ শিল্পৰ ওপৰত বহু ধৰণৰ কৰ কাটল জাপি দিয়া হৈছে। কিন্তু চাহ শিল্পৰ উন্নয়নৰ কাৰণে বিশেষ ব্যৱস্থা কৰা হোৱা নাই।

মাননীয় অধ্যক্ষ মহোদয়, কৃষিৰ ক্ষেত্ৰত কব বিচাৰিছো যে চাহ শিল্পটো অসমৰ এটা আপুৰুগীয়া শিল্প। এই শিল্পৰ ওপৰত কৰ জাপি দিয়া হৈছে। ডেভলাপমেণ্ট কৰা হোৱা নাই। কৰ অসমৰ ৰাজহৰ স্বাৰ্থত দিব লাগিব। এই শিল্প যাতে মৰি নাযায় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। এই শিল্পৰ উন্নয়নৰ কাৰণে কি কি ব্যৱস্থা লৈছে কাৰণ এই শিল্পৰ লগত অসমৰ বুজন সংখ্যক লোক জৰিত হৈ আছে। এই শিল্পই বৈদেশিক মুদ্ৰা উপাৰ্যনত বৰঙনি আগবঢ়াব। যদি এই শিল্পৰ মৃত্যু নহয়। অসম চৰকাৰে এই শিল্পৰ যাতে মৃত্যু নহয় তাৰ কাৰণে যত্ন কৰিববলৈ অনুৰোধ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker : Hon'ble Chief Minister to reply.**

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মাননীয় সদস্যসকলে এপ্ৰোপিয়েচন বিলৰ ওপৰত তেখেতসকলে যি আলোচনা সমালোচনা আগবঢ়াইছে তাৰ কাৰণে তেখেতসকলক মই ধন্যবাদ জনাইছো। অধ্যক্ষ মহোদয়, আমি বাজেট উৎখাপন কৰোতে কৈছিলো চেক্টৰেল এলোকেচন

ফাণ্ড, এলোকেচন চেক্টৰ ওৱাইজ কৰিছো। ইয়াৰ ব্যহিৰেও অধ্যক্ষ মহোদয় ১/৪/৯৭ তাৰিখে Public Accounts Revenue Deposit ৫৬৪৯ কোটি টকা হ'ব। এতিয়া এইখিনি আমাৰ ঋণ আছে। যোৱা ১৪ মাৰ্চত উৎখাপন কৰা ১৯৯৭-৯৮ চনৰ বাজেটত মুঠ ৬২৮৬,১৯,৯৫,০০০ টকা ব্যয়ৰ বাবে ৭১ টা দাবী মঞ্জুৰী এই পবিত্ৰ সদনত প্ৰেছ কৰা হৈছিল। এই বাজেটত ৰাজহ আৰু মুলধনী শিতানৰ পুঁজি লগ লগাই সৰ্ব্ব মুঠ ৬২৮৬,১৯,৯৫,০০০ টকা ব্যয় হ'ব বুলি দেখুৱা হৈছে। তাৰে ধাৰ্য্য ব্যয়ৰ পৰিমাণ হ'ল ১৫৯০,৩২,৮৬,০০০ টকা আৰু গৃহীত ব্যয়ৰ পৰিমাণ হ'ল ৪৬৯৫,৮৭,০৯,০০০ টকা। মুঠ নিৰ্দ্ধাৰিত আদায়ৰ পৰিমাণ হ'ল ১২৪,৭২,২৯,০০০ টকা আৰু একত্ৰীনিধিৰপৰা হোৱা প্ৰকৃত ব্যয়ৰ পৰিমাণ হ'ল ৬১,৬১,৪৭,৬০,০০০ টকা। একত্ৰীত নিধিৰ অধীনত মুঠ আয়ৰ পৰিমাণ হ'ল ৫৮০৪,৯৭,০০,০০০ টকা আৰু ৰাজহুৱা হিচাপ শিতানৰ অধীনত নিৰ্দ্ধাৰিত পুজিৰ পৰিমাণ হ'ল ১৫০৯,২৮,০০,০০০ টকা। মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৭, ১৮ আৰু ১৯ মাৰ্চত সাধাৰণ বাজেটৰ ওপৰত ২০, ২১, ২৬, ২৭ আৰু আজি বিভিন্ন বিভাগৰ দাবীৰ ওপৰত মাননীয় সদস্যসকলে বিস্তাৰিত ভাবে আলোচনা কৰিছে আৰু তেখেতসকলৰ বহুমূলীয়া পৰামৰ্শ আগবঢ়াইছে। তাৰ বাবে মই মাননীয় সদস্যসকলক ধন্যবাদ জনাইছো। তেখেতসকলৰ গঠণমূলক পৰামৰ্শাৱলী আমাৰ ভবিষ্যত কৰ্ম্মপন্থাৰ কাৰণে পথ নিৰ্দ্দেশক হ'ব মই মোৰ বাজেট বক্তৃতাত আৰু বাজেটৰ ওপৰত হোৱা সাধাৰণ আলোচনাৰ উত্তৰ দিয়াৰ সময়ত ৰাজ্যৰ গুৰুত্ব বিত্তীয় সংকটৰ বিষয়ে উল্লেখ কৰিছো আৰু এই পৰিস্থিতিৰ মোকাবিলা কৰিবৰ কাৰণে লব নুখোজা পদক্ষেপৰ বিষয়েও উল্লেখ কৰিছো। চৰকাৰৰ বিত্তীয় পঠিন পৰিস্থিতিৰ স্বত্বেও ৰাজ্যখনৰ যাৱতীয় উন্নতিৰ কাৰণে চেষ্টা অব্যাহত ৰাখিম। আপোনালোকৰ সহযোগত ভৱিষ্যতৰ কঠিন দিনবোৰ আত্ম প্ৰত্যয় সহ সন্মুখীন হ'ব পাৰি বুলি মোৰ বিশ্বাস। মাননীয় সদস্য শ্ৰীটেৰাং ডাঙৰীয়াই উল্লেখ কৰিছে যে পাব্লিক একাউণ্ট কমিটিৰ ৰেভিনিউ ডিপোজিট কৰিছে। মই আজি মাননীয় সদস্য সকলক জনাবলৈ পাই সুখী হৈছো যে এই বছৰ ৰেভিনিউ ডিপোজিত কৰা নাই। যোৱা ২১/৩/৯৭ তাৰিখৰ পৰা এতিয়ালৈ পেমেণ্ট বন্ধ হৈ আছে। গতিকে আৰ, ডি কৰাৰ প্ৰশ্ন নুঠে। আমি কিছুমান সমস্যাৰ সন্মুখীন হৈছো। আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা চিভুৰেল স্কীমত এলোট টকা পাইছো। ৩১ মাৰ্চৰ ভিতৰত খৰচ কৰিব নোৱাৰিলে সেই পাৰি তাৰ চিন্তা চৰ্চ্চা কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ তৰফৰপৰা দৰ্নীতি ৰোধ কৰিবৰ কাৰণে সকলো প্ৰকাৰৰ প্ৰচেষ্টা চলোৱা হৈছে। অভিযোগ মাজে মাজে উঠিছে। ভিতৰতে হওঁক বা বাহিৰতে হওঁক আমাৰ চৰকাৰে কেতিয়াওঁ প্ৰশ্ৰয় নিদিয়ে। অভিযোগ বিলাক তদন্ত কৰা হ'ব। কিছুমান অভিযোগ দিব লাগে কাৰণে দিছে। এই ক্ষেত্ৰত কিছুমান কাল্পনিক অভিযোগো উৎখাপন হৈছে। যোৱাকালি বাতৰি কাকতত দেখিছো আমাৰ চচিয়েল ওৱেলফেয়াৰ মন্ত্ৰী শ্ৰীমতি ৰেখা ৰাণী দাস বড়োৰ বিৰুদ্ধে অভিযোগ ওলাইছে। কিন্তু চচিয়েল ওৱেলফেয়াৰ বিভাগৰ বাজেটত ধৰাই নাই। এনেকুৱা অসত্য বাতৰিও পৰিবেশন কৰি জনসাধাৰণক বিপথে পৰিচালিত কৰা দেখা গৈছে। এখন বাতৰি কাকতৰ এজন ইডিটৰলৈ টেলিফোন কৰিছিলো এইটো বাতৰি কিয় প্ৰচাৰ কৰিছে সঁচা নহয়। তেতিয়া তেখেতে মোক কৈছিল মহন্ত ডাঙৰীয়া আমাৰ পেপাৰখনতো চলিব লাগিব। মই সদনত নাম উল্লেখ কৰিব বিচৰা নাই। সেই কাৰণে মই কৈছো আমাৰ ৰাজ্যখন সঠিকভাৱে আগবঢ়াই নিবৰ কাৰণে সকলোৰে চেষ্টা/প্ৰচেষ্টাৰ প্ৰয়োজন। আৰু আমাৰ

সকলো জনসাধাৰণৰে সত্য বাতৰি দিয়াতো দায়িত্ব আৰু কৰ্তব্য। আমি লেজিচলেচাৰ, এক্সিকুটিভ আৰু জুডিচিয়াৰীয়ে হওক সকলোৰে আমাৰ এইটো দায়িত্ব। সেইকাৰণে এই ক্ষেত্ৰত সকলোৰে সহায় সহযোগিতা আগবঢ়োৱাটো বিচাৰো। আমি কাকো দোষাৰোপ কৰিবলৈ যোৱা নাই। সকলোৰে সহযোগিতা নহলে আমি উদ্দেশ্যত আগবাঢ়ি যাব নোৱাৰিম, আমি পিচপৰি ৰম। মাননীয় অধ্যক্ষ মহোদয়, এটা কাহিনী আছে — ভাৰতবৰ্ষৰ সকলো ৰাজ্য লগ লাগি ৰিচাৰ্চ বিষয়ক লৈ কোনে কি ৰিচাৰ্চ কৰিছে তাৰ এখন চেমিনাৰ পাতিছিল। সেই চেমিনাৰত আমাৰ অসমৰ পৰাও অংশ গ্ৰহণ কৰিছিল। অসমৰ পৰা কিছুমান কেকোৰা নিছিল। সেই পাত্ৰটোত ধাকন মৰা নাছিল। তেতিয়া এজনে সুধিলে ইয়াৰ ধাকন মৰা নাই কিয়, তাৰ উত্তৰ আছিল এটা ওপৰলৈ উঠিলে পিচৰটোৱে টানি ৰাখিব। আমাৰ অসমৰ অৱস্থাও তেনেকুৱাই হৈছে। ওপৰলৈ কোনেও যাবলৈ নিদিয়ে। সেইকাৰণে আমি সকলোৰে সহায় আৰু সহযোগিতা বিচাৰিছো ৰাজ্যখনক আগবঢ়াই নিবৰ কাৰণে। মাননীয় সদস্যসকলে আগবঢ়োৱা পৰামৰ্শৰ কাৰণে তেখেতসকলক অভিনন্দন আৰু ধন্যবাদ জনাইছো। এইখিন কৈয়ে সদনত উৎথাপিত ১৯৯৭ চনৰ অসম বিনিয়োজন (নং ঃ ২) বিধেয়কখন অনুমোদন জনোৱাৰ কাৰণে মাননীয় সকলো সদস্যলৈকে অনুৰোধ জনাইছো।

**Mr. Speaker :** Now, I put the motion before the House. The motion is that "The Assam Appropriation (No.II) Bill, 1997 be taken into consideration."

(Ayes have it. Ayes have it. Ayes have it)

The motion is passed.

Now, Item No. 2(c). I now put classes 2, 3 and schedule to the Bill before the House for approval.

The question is that "Clauses 2, 3 and schedule to the Bill do stand part of the Bill.

(Ayes have it. Ayes have it. Ayes have it.)

Clauses 2, 3 and schedule to the Bill do form part of the Bill.

Now, I put the Clause 1, Enacting formula and short title of the Bill before the House for approval. The question is that 'Clause1. Enacting formula and short title do stand part of the Bill.

(Ayes have it. Ayes have it. Ayes have it.)

Clause1. Enacting formula and short title do form part of the Bill.

Now Item No. 2(d). Hon. Chief Minister to move.

**Shri Prafulla Kumar Mahanta (Chief Minister) :** Sir, I beg to move that

The Assam Appropriation No.II) Bill, 1997 be passed.

**Mr. Speaker :** I now put the motion before the House. The motion is The Assam Appropriation (No.II) Bill, 1997 be passed.

(Ayes have it. Ayes have it. Ayes have it.)

The Bill is passed. The motion is passed.

Now, Item No.3. Hon. Minister, Industries to lay the "The Industrial Policy of Assam, 1997."

## LAYING OF INDUSTRIAL POLICY

**Shri Gunin Hazarika (Minister) :** Sir, I beg to lay "The Industrial Policy of Assam, 1997."

**Mr. Speaker :** A lunch has been hoisted by the Hon. Chief Minister. The lunch has been arranged just after adjournment of the House today in the New MLA Hostel Canteen. Invitation has been sent to all Hon. Members, Hon. Ministers and Ministers of State, Leader of the Opposition, Hon. Deputy Speaker, Chief Secretary, Addl. Chief Secretary, Commissioners and Secrete ries, DGP, IGPs, Heads of the Department of Govt. of Assam, Gentlemen of the Press, AIR and Doordarshan media to attend the lunch.

The House stands adjourned till 9.00 a.m. Monday, the 31st March, 1997.

## ADJOURNMENT

The House then stood adjourned at 2.05 P.M. till 9 A.M. on Monday, the 31st March, 1997.

Dispur
The 29th March, 1997

**D. Talukdar**
Secretary
Assam Legislative Assembly.